সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ৪৬ সংখ্যা, ১ আঘোণ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 46 Date Of Publication - 17 November 2024 Rs.10.00/-

## ঝাঁন্সিৰ লক্ষ্মীবাঈ মেডিকেল কলেজত ভয়াৱহ অগ্নিকাণ্ডত ১০ নৱজাতকৰ কৰুণ মৃত্যু


ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ প্ৰদেশৰ ঝাঁন্সিৰ মহাৰাণী লক্ষ্মীবাঈ মেডিকেল কলেজৰ এনআইচিইউত ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হৈছে। এই অগ্নিকাণ্ডত ১০ নৱজাতকৰ কৰুণ মৃত্যু ঘটাৰ লগতে আন ১৬টি দেৱশিশু আহত হৈছে। ঘটনাৰ বিৱৰণী মতে, শুকুৰবাৰে নিশা প্ৰায় ১০.৪৫ বজাত মহাৰাণী লক্ষ্মীবাঈ মেডিকেল কলেজৰ নৱজাতক ৰখা এনআইচিইউত অগ্নিকাণ্ড সংঘটিত হয়। নৱজাতক ৰখা এনআইচিইউত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটি ওচৰৰ কক্ষসমূহলৈও বিয়পি পৰে। জুয়ে আৱৰি ধৰা এনআইচিইউৰ পৰা নৱজাতকক উদ্ধাৰ কৰিবলৈ কৰ্তৃপক্ষৰ লগতে স্থানীয় প্ৰশাসনে চেষ্টা চলায় যদিও ইতিমধ্যে এই বিধ্বংসী অগ্নিকাণ্ডত ১০টি শিশুৱে প্ৰাণ হেৰুৱায়। আন ১৬টি শিশুক গুৰুতৰভাৱে আহত অৱস্থাত আন



চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকে প্ৰকাশ কৰা মতে, মৃত্যু ঘটা ১০টি শিশুৰ ভিতৰত ৭টি চিনাক্ত কৰা হৈছে বাকী তিনিটা এতিয়াও চিনাক্ত কৰিব পৰা নাই। প্ৰাৰম্ভিক অনুসন্ধান মতে, বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতে এই বিধ্বংসী অগ্নিকাণ্ডটো সংঘটিত হৈছে। অক্সিজেন কনচেনটেটৰৰ ভিতৰত শ্বৰ্ট চাৰ্কিট হৈ এই অগ্নিকাণ্ডটো সংঘটিত হয়। ঝাঁন্সিৰ জ্যেষ্ঠ (দহ পৃষ্ঠাত চাওক)

## সম্পাদকীয় শিতান...

## বুকু দুৰু দুৰু কপে নিকি বাৰু? বিহাইগু দ্যা ড্ৰেছ...



দেৱাশীষ গোস্বামী,নগাঁও

পুনৰ, পুনৰ এবাৰ টাইড, ছাৰ্ফ এক্সেল, ঢেলা চাবোনেৰে ঘঁহি ঘঁহি ধুলেও নোযোৱা দাগেৰে কলংকিত নায়কত পৰিনত ‘জনহিত, জন সেৱাৰ্থে’ উৎসৰ্গিত অসম আৰক্ষী। নৃশংসতা, বৰ্বৰতাৰ সীমা নেওচি তেনেই সৰু ঘটনা এটাক এনে পৰ্য্যায় পোৱালেগৈ যে সকলোৰে মন মগজুত ভাঁহি উঠিল তালিবানী শাস্তি সমূহৰ একো একোটা দৃশ্যপট। খাকী ড্ৰেছযোৰ তথা ক্ষমতাৰ অপব্যৱহাৰ অসম আৰক্ষীৰ বাবে কোনো নতুন কথা নহয়। পিছে ক্ষন্তেকিয়া আবেগেৰে পৰিবেষ্টিত আমিবোৰৰ কাৰণে প্ৰত্যেকটো ঘটনা, দুৰ্ঘটনাৰ ‘এফেক্ট’ তেনেই ক্ষনস্থায়ী। আমি আমাৰ জীৱনত সাক্ষী হৈ ৰোৱা যি কোনো ধৰণৰ ঘটনা, দুৰ্ঘটনাৰ ‘এফেক্ট’ সদায় নতুনত্ব বিচাৰি ফুৰা আমিবোৰৰ স্মৃতিৰ অটল গহ্বৰত যেতিয়াই হেৰাই যায় ঠিক তেতিয়াই সেই ঘটনা, দুৰ্ঘটনাৰ কাৰক সমূহে পুনৰ মূৰ দাঙি উঠিবলৈ লাই পায়।

আজিৰ পৰা ঠিক দুদিনৰ আগতে অসমৰ ৰাজধানী, ( তিনিপৃষ্ঠাত চাওক)

## অসম-মণিপুৰ সীমান্তত ৬ মেইটেই শিশু-মহিলাৰ মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম-মণিপুৰ সীমান্তৰ সমীপৰ জিৰিমুখ অঞ্চলৰ বৰাক নৈৰ পৰা ছয়টা মৃতদেহ উদ্ধাৰ হোৱাৰ পিছতে পুনৰ অগ্নিগৰ্ভা হৈ পৰিছে গোষ্ঠীসংঘৰ্ষত অস্থিৰ মণিপুৰ। জিৰিবামৰ পৰা অপহৰণ কৰা মৃত ৬ শিশু-মহিলাৰ ভিতৰত ৩ গৰাকীক চিনাক্ত কৰা হৈছে। বৰ্তমান মৃতদেহকেইটা শিলচৰ মেডিকেল কলেজ হাস্পতালৰ মৰ্গত থকা বুলি কোৱা হৈছে। জানিব পৰা মতে, অশান্ত মণিপুৰৰ জিৰিবাম জিলাৰ পৰা ৫ দিন পূৰ্বে অপহৃত ৩গৰাকী মহিলা আৰু তিনিটা শিশু যাৰ ভিতৰত এটি ৮ মহীয়া দেৱশিশুও আছিল, তেওঁলোকৰ মৃতদেহ উদ্ধাৰ হৈছে। এই সন্দৰ্ভত মণিপুৰ চৰকাৰৰ (দহ পৃষ্ঠাত চাওক)

## বৰ্ণিল শোভাযাত্ৰাৰে বড়ো সংস্কৃতিময় হৈ পৰিল দিল্লীৰ ৰাজপথ



ৰঙিলী বাৰ্ত্তাসেৱা- দিল্লীৰ ৰাজপথত নৃত্য-গীতেৰে পাঁচ সহস্ৰাধিক বড়ো জনগোষ্ঠীয় লোকে উলিওৱা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই দিল্লীবাসীক অভিভূত কৰি তোলে। বড়োলেণ্ড মহোৎসৱৰ দ্বিতীয় দিনা পুৱাৰ ভাগত উলিওৱা শোভাযাত্ৰাৰ পূৰ্বে মহোৎসৱৰ অন্যতম আয়োজক বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি সাহিত্য সভাৰ পতাকা উত্তোলন কৰা হয়। বিয়লিভাগত নতুন শিক্ষানীতিত শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাৰ সুযোগ আৰু প্ৰত্যাহ্বানক লৈ অনুষ্ঠিত এখন আলোচনা-চক্ৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে বড়ো জাতি তথা ভাষাৰ স্বকীয় ঐতিহ্যৰ ভূয়সী প্ৰশংসা কৰি নতুন শিক্ষানীতিৰ জৰিয়তে ( দহ পৃষ্ঠাত চাওক)

# সাহিত্যিক বিপিন চন্দ্ৰ বৰাৰ 'ৰাস-পূৰ্ণিমা আৰু আন ৰচনা' উন্মোচন

ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ ৰাজ্যক লগতে মাজুলীতো উদযাপিত বাৎসৰিক ৰাসলীলা উপলক্ষে গীত-নৃত্যৰে মুখৰিত হৈ মায়াসনা আধ্যাত্মিক পৰিৱেশৰ মাজতে মাজুলীৰ উচ্চশিক্ষাৰ প্ৰথমখন শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ত উন্মোচিত হ'ল মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক তথা আৱাহন যুগৰ বিশিষ্ট সাহিত্যিক (প্ৰয়াত) বিপিন চন্দ্ৰ বৰাৰ গ্ৰন্থ 'ৰাস পূৰ্ণিমা আৰু আন ৰচনা।' বিশিষ্ট লেখক তথা নাট্যকাৰজনৰ উপন্যাস, গল্প আদিৰ একত্ৰ সংকলন, মাজুলী মহাবিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশিত এই গ্ৰন্থখনি উন্মোচনৰ উদ্দেশ্যে দিনৰ ৰচ বজাৰ পৰা মহাবিদ্যালয়ৰ সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত আয়োজিত উন্মোচনী সভাখনি সভাপতিত্ব কৰা অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে বিপিন চন্দ্ৰ বৰাৰ জীয়াৰী তথা মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষা আৰতি বৰাই সকলোকে আদৰণি জনায়। মহাবিদ্যালয়ৰ প্ৰকাশন সচিব



অপূৰ্বজ্যোতি হাজৰিকাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন শৈক্ষিক সমন্বয়ক ডঃ নাৰায়ণ চন্দ্ৰ শৰ্মাই মহাবিদ্যালয়ৰ প্ৰকাশন বিভাগৰ প্ৰতিষ্ঠাৰ আঁৰৰ কিছু কথা দাঙি ধৰাৰ লগতে শিক্ষক হিচাপে বিপিন চন্দ্ৰ বৰাৰ দক্ষতা আৰু ব্যক্তিত্বৰ এক চমু আলোকপাত কৰে। অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ দ্বাৰা সম্পাদিত বিপিন চন্দ্ৰ বৰাৰ 'ৰাস পূৰ্ণিমা আৰু আন ৰচনা' শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰি মাজুলীৰ বিশিষ্ট শিক্ষাবিদ, প্ৰত্নতত্ত্ববিদ দিলীপ কুমাৰ ফুকনে গ্ৰন্থখনত সংকলিত 'ৰাস-পূৰ্ণিমা' নাটকখনৰ তাৎপৰ্য ব্যাখ্যা কৰি মাজুলীত ৰাস মহোৎসৱ থকালৈকে নাটখন অমৰ হৈ থাকিব বুলি অভিহিত কৰে। লগতে মাজুলীৰ বুকুত লুকাই থকা এনে ধৰণৰ আন সাহিত্যসমূহো উদ্ধাৰ কৰি প্ৰকাশৰ দিহা কৰিবলৈ প্ৰকাশন বিভাগক আহ্বান জনায়। মাজুলীৰ বিশিষ্ট শিক্ষাবিদ তথা অৱসৰী শিক্ষক কমল চন্দ্ৰ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিপিন চন্দ্ৰ বৰাৰ পাণ্ডিত্য আৰু ভাষাৰ লালিত্যৰ কথা স্মৰণ কৰি তেওঁৰ নাটকৰ (দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ড'মিনিকাৰ সৰ্বোচ্চ অসামৰিক সন্মান



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ড'মিনিকাৰ সৰ্বোচ্চ অসামৰিক সন্মান আগবঢ়োৱা হৈছে। কেৰিবিয়ান দেশ ড'মিনিকা ভ্ৰমণৰ পূৰ্বেই প্ৰধানমন্ত্ৰীলৈ এই সন্মান দুয়ো দেশৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ আৰু ক'ভিড-১৯ মহামাৰীৰ সময়ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ বাবে হৈছে বুলি ড'মিনিকা চৰকাৰে প্ৰকাশ কৰিছে। ভাৰত-কেৰিকম সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই সন্মান আনুষ্ঠানিকভাৱে আগবঢ়াব ড'মিনিকা অৱ কমনৱেল্‌থৰ ৰাষ্ট্ৰপতি চিলভেনী বাৰ্টনে। অহা ১৯ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈকে গায়েনাৰ জৰ্জ টাউনত আয়োজিত ভাৰত-কেৰিকম সন্মিলনত অংশ ল'বৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উক্ত দেশখনত (দহ পৃষ্ঠাত চাওক)

# অশান্ত মণিপুৰত পুনৰ বলৱৎ 'আফস্পা'



ৰঙিলী বাৰ্ত্তাসেৱা- অগ্নিগৰ্ভা মণিপুৰত বিগত এসপ্তাহে পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিছে। বিশেষকৈ জিৰিবাম অঞ্চলত ব্যাপক হিংসাত্মক ঘটনা সংঘটিত হৈছে। কেন্দ্ৰীয় চৰকাৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অশান্ত মণিপুৰত পুনৰ 'আফস্পা' (সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন) বলৱৎ কৰিছে। ৰাজ্যখনৰ ৫খনকৈ জিলাৰ ৬খন আৰক্ষী থানাৰ অধীনৰ এলেকালৈ সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন 'আফস্পা'বলৱৎ কৰা হৈছে। ইয়াৰোপৰি বৰ্তমান ৰাজ্যখনত কেন্দ্ৰীয় সশস্ত্ৰ অৰ্ধসামৰিক বাহিনীৰ (চি এ পি এফ) ২০টা অতিৰিক্ত কোম্পানী প্ৰেৰণ কৰিছে চৰকাৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে বৃহস্পতিবাৰে প্ৰকাশ কৰা তথ্য অনুসৰি, ইম্ফল পশ্চিম জিলাৰ চেকমাই আৰু লামচাং আৰক্ষী থানা অঞ্চল, ইম্ফল পূব জিলাৰ লামলাই আৰক্ষী থানা এলেকা, জিৰিবাম জিলাৰ জিৰিবাম আৰক্ষী থানা এলেকা, কাংপোকপি জিলাৰ লেইমাখং অঞ্চল আৰু বিষ্ণুপুৰ জিলাৰ মইৰাং আৰক্ষী থানা অঞ্চলত 'আফস্পা' জাৰি কৰা হৈছে। জাননীখনত কোৱা হয় যে নিৰাপত্তা পৰিস্থিতি বজাই (নপৃষ্ঠাত চাওক)

# পাঁচ সমষ্টিৰ বহুচৰ্চিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- সামৰণি পৰিল ৰাজ্যৰ ৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ। বিহালী, বঙাইগাঁও, চিদলী আৰু ধলাইত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ বিপৰীতে নিৰ্বাচনৰ দিনাও চামগুৰিত অব্যাহত থাকে হিংসা। ভোটগ্ৰহণৰ দিনটোত চামগুৰি সমষ্টিত মাৰপিটকে ধৰি কেইবাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হয়। পুৱা ৭ বজাৰ পৰা প্ৰতিটো সমষ্টিতে আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বিয়লি ৫ বজাত সামৰণি পৰে। প্ৰতিটো সমষ্টিৰে ভোটগ্ৰহণ কেন্দ্ৰসমূহত পুৱাৰে পৰা ভোটদাতা ৰাইজে ভোটাধিকাৰ সাব্যস্ত কৰে। নিৰ্বাচন আয়োগে জনোৱা অনুসৰি বিয়লি ৫ বজা পৰ্যন্ত ৰাজ্যখনত ভোটদানৰ গড় হাৰ ৭২.৮৩ শতাংশ। চিদলী সমষ্টিত ৭১.৫০ শতাংশ, চামগুৰি সমষ্টিত ৭৮.১০ শতাংশ, বঙাইগাঁও সমষ্টিত ৬৯.০৮ শতাংশ, ধলাই সমষ্টিত ৭২.৪০ শতাংশ আৰু বিহালী সমষ্টিত ৭৩.৭০ শতাংশ। ৫ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ লগে লগে নিৰ্বাচনী ৰণত অৱতীৰ্ণ হোৱা ৩৪গৰাকী প্ৰাৰ্থীৰ ভাগ্য ইভিএমত বন্দী হয়। ইভিএমত ভাগ্য বন্দী হোৱা বিভিন্ন দলৰ ৰথী-মহাৰথীসকল হৈছে- সাংসদ ফণীভূষণ চৌধুৰীৰ পত্নী দীপ্তিময়ী চৌধুৰী, সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তানজিল হুছেইন, কংগ্ৰেছৰ ব্ৰজেনজিৎ সিংহ, বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মা, বিজেপিৰ দিগন্ত ঘাটোৱাল, কংগ্ৰেছৰ জয়ন্ত বৰা, বিজেপিৰ নিহাৰৰঞ্জন দাস, কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ইউপিপিএলৰ নিৰ্মল ব্ৰহ্ম, বিপিএফৰ শুদ্ধ বসুমতাৰী আৰু কংগ্ৰেছৰ সঞ্জীৱ ৰাৰী। এই ৰথী-মহাৰথীসকলৰ কাৰ কাৰ ভাগ্য উদয় হয়, তাৰ বাবে অহা ২৩ নৱেম্বৰৰ ভোটগণনাৰ দিনটোলৈ অপেক্ষা কৰিব লাগিব।

# সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মামনী ৰয়ছম গোস্বামীৰ জন্ম দিৱস উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ চচল শাখাৰ উদ্যোগত জ্ঞানপীঠ বঁটা বিজয়ী মামনী ৰয়ছম গোস্বামীৰ জন্ম দিৱসটো প্ৰজ্ঞা দিৱস হিচাবে চচলৰ ৰবীন্দ্ৰ নাথ দাস সভাগৃহত উদযাপন কৰা হয়। সেই উপলক্ষে পুৱা ৯ বজাত পতাকা উত্তোলন কৰে চচল শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী প্ৰণীতা শৰ্মাই। মামনী ৰয়ছম গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে উপ-সভানেত্ৰী আৰু কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা শেৱালী ভাগৱতীয়ে। স্মৃতি তৰ্পণ কৰে শাখাৰ উপ-সভানেত্ৰী অন্নপ্ৰভা কাকতিয়ে। বিয়লি ২ঃ৩০ত চচল শাখাৰ সদস্যা সকলে চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাত সম্পাদিকা চিত্ৰা দাসে আদৰণী ভাষন পাঠ কৰাৰ পিছতে মূল সভা খন উদ্বোধন কৰে কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যবাহী সভানেত্ৰী দৰ্পনা বৰা নেওগে। চচল শাখাৰ সভানেত্ৰী প্ৰণীতা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা নন্দিতা চলিহা। মুখ্য অতিথিৰ আসন শুৱনি কৰে বিশিষ্ট কবি তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° গীতা বসুমতাৰীয়ে। তদুপৰি সভাখনত কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ অন্তৰ্গত কেইবাটাও শাখাৰ প্ৰতিনিধিয়ে অংশ গ্ৰহন কৰাৰ উপৰিও চচল শতদল শাখা সাহিত্য সভাৰ




বিশিষ্ট ব্যক্তি সকল, চচল জ্যেষ্ঠ নাগৰিক সভা আৰু চচল বিহু সমিতিৰ বিষয় ববিয়া সকলে যোগদান কৰে। উক্ত সভাত অসমৰ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ (নপৃষ্ঠাত চাওক)

# দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ সঞ্জীৱ খান্নাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিলে ন্যায়াধীশ সঞ্জীৱ খান্নাই। ৰাষ্ট্ৰপতি ভৱনত আয়োজন কৰা হয় এই শপতগ্ৰহণ অনুষ্ঠান। ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ন্যায়াধীশ সঞ্জীৱ খান্নাক শপত বাক্য পাঠ কৰোৱাই। ৫০ সংখ্যক চিজেআই হিচাপে ডি ৱাই চন্দ্ৰচুড়ে ১০ নৱেম্বৰত অৱসৰ গ্ৰহণ কৰাৰ পাছত সোমবাৰে দেশৰ ৫১ সংখ্যক চিজেআই হিচাপে দায়িত্ব গ্ৰহণ কৰে সঞ্জীৱ খান্নাই। মুখ্য ন্যায়াধীশ হিচাপে সঞ্জীৱ খান্নাৰ কাৰ্যকাল ২০২৫ চনৰ ১৩ মে'লৈ থাকিব। প্ৰায় ছমাহৰ বাবে মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই চিজেআইৰ দায়িত্ব গ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠান টোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, জ্যেষ্ঠ বিজেপি নেতা, প্ৰাক্তন মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড় আৰু উচ্চতম ন্যায়ালয়ৰ অন্যান্য ন্যায়াধীশসকল উপস্থিত থাকে। উল্লেখ্য যে ২০১৯ চনৰ জানুৱাৰীত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই সংবিধানৰ অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰ, ইভিএমৰ সংহতিক লৈ গুৰুত্বপূৰ্ণ ৰায়ৰ লগত জড়িত থকাৰ লগতে নিৰ্বাচনী বণ্ড আঁচনি অবৈধ ঘোষণা কৰা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক অন্তৰ্বৰ্তী জামিনৰো বিচাৰপীঠত আছিল। ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা সঞ্জীৱ খান্নাই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰী লাভ কৰি ১৯৮৩ চনৰ পৰা অধিবক্তা হিচাপে সেৱা

(নপৃষ্ঠাত চাওক)

# আৰক্ষীক মুখ্যমন্ত্ৰীৰ বহতীয়া হৈ নপৰিবলৈ আহ্বান প্ৰদেশ কংগ্ৰেছৰ

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম আৰক্ষীয়ে নিৰ্বাচন আয়োগকো ভ্ৰূক্ষেপ নকৰা কাৰ্যক অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিছে। আৰক্ষীৰ ওভতগোৰে নচাৰ বিষয়টো সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এক সংবাদমেলত কয় যে নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ সময়ত আৰক্ষী নিৰপেক্ষ হ'ব লাগে। অকল সেয়াই নহয়, আয়োগৰ নিৰ্দেশতহে আৰক্ষী চলিব লাগে। নগাঁৱৰ চামগুৰিত আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীৰ ওপৰত আতিশয্য অব্যাহত ৰাখিছে। এই ব্যৱস্থা বাহাল থাকিলে আমি কংগ্ৰেছে আৰক্ষীৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ম। এক সংবাদমেল সম্বোধন কৰি বৰাই কয়, নগাঁও আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীক হাৰাশাস্তি কৰিবলৈ আৰম্ভ কৰিছে। অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাই সম্পূৰ্ণ একপক্ষীয়ভাৱে কংগ্ৰেছ দলৰ নেতা-কৰ্মীৰ ওপৰত অবিৰতভাৱে হাৰাশাস্তি আৰম্ভ কৰি আহিছে। মঙলবাৰে পুৱাৰ ভাগত বিনা কাৰণত ব্ৰহ্মবিল আৰু খাটোৱাল গাঁৱত কংগ্ৰেছৰ নিৰ্বাচনী এজেণ্টৰ ঘৰলৈ গৈ কোনো কথা নোহোৱাকৈ ভাবুকি দিছে।

(নপৃষ্ঠাত চাওক)

# দিছপুৰত সাংসদ-মন্ত্ৰীৰ উপস্থিতিত চাহ-জনগোষ্ঠী আৰু আদিবাসী সংগঠনৰ প্ৰতিনিধিৰে বৈঠক মন্ত্ৰী পীযুষ হাজৰীকাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই দিছপুৰৰ জনতা ভৱনত কেইবাগৰাকী সাংসদ আৰু মন্ত্ৰীৰ উপস্থিতিত আদিবাসী আৰু চাহ-জনগোষ্ঠীৰ কেইবাটাও সংগঠনৰ প্ৰতিনিধিৰে জনগোষ্ঠীটোৰ বিভিন্ন বিষয়ত এক আলোচনাত মিলিত হয়। সাংসদ ৰামেশ্বৰ তেলী, কামাখ্যা প্ৰসাদ তাছা, ৰাজ্য চৰকাৰৰ মন্ত্ৰী সঞ্জয় কিষাণ, অসম ৰাজ্যিক পৰিবহন নিগমৰ অধ্যক্ষ পল্লৱ লোচন দাস, প্ৰাক্তন মন্ত্ৰী তথা চাহ জনজাতি জাতীয় সন্মিলনীৰ সভাপতি পৃথিৱী মাঝি, অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিনিধি উপস্থিত থকা উক্ত বৈঠকত আদিবাসী তথা চাহ-জনগোষ্ঠীৰ লোকসকলৰ বিভিন্ন বিষয়ত বিশদভাৱে আলোচনা কৰা হয়। ৰাজ্যখনৰ চাহ-জনগোষ্ঠীয় তথা আদিবাসী লোকসকলে অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে লাভ কৰি থকা জাতিগত প্ৰমাণ পত্ৰ একাংশ লোকে বিধিবহিৰ্ভূতভাৱে লাভ কৰা বুলি উত্থাপিত অভিযোগৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰা



হ'ব বুলি মন্ত্ৰী হাজৰীকাই সকলোকে নিশ্চিতি প্ৰদান কৰে। এইঃ ক্ষেত্ৰত বিভাগীয় বিষয়াক মন্ত্ৰীগৰাকীয়ে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ নিৰ্দেশনা প্ৰদান কৰে। অসম চৰকাৰে চাহ জনগোষ্ঠী তথা আদিবাসী লোকসকলৰ বাবে চিকিৎসা মহাবিদ্যালয়ত বিশেষ আসন সংৰক্ষণ তথা চৰকাৰী চাকৰিত সংৰক্ষণৰ ব্যৱস্থা কৰা কাৰ্যক উক্ত আলোচনাত প্ৰায় সকলো সংগঠনৰ প্ৰতিনিধিবৰ্গই প্ৰশংসা কৰে। প্ৰাক্তন মন্ত্ৰী তথা চাহ জনজাতি জাতীয় সন্মিলনীৰ সভাপতি পৃথিৱী মাঝিয়ে এই কথা উল্লেখ কৰি কয় যে অন্যান্য পিছপৰা শ্ৰেণীৰ ভিতৰতে চাহ-জনগোষ্ঠীয় ভাই ভনীসকলৰ বাবে চৰকাৰী চাকৰি আৰু চিকিৎসা মহাবিদ্যালয়ত আসন সংৰক্ষণৰ ব্যৱস্থা কৰা কাৰ্য অসম চৰকাৰে নিজস্ব সদিচ্ছাৰে কৰিছে, এই

(নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত শাখা সাহিত্য সভা আৰু উপাসনা কলাকেন্দ্ৰৰ যুটীয়া সহযোগত 'ভাষা গৌৰৱ' উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- সুৱদী-সুৰীয়া অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰাপ্তিত অসম চৰকাৰৰ আহ্বান মৰ্মে ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈকে 'ভাষা গৌৰৱ' শীৰ্ষক সপ্তাহজোৰা কাৰ্যসূচীৰে ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভা আৰু উপাসনা কলাকেন্দ্ৰৰ যুটীয়া সহযোগত উপাসনা কলাকেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই অনুষ্ঠান। অন্তিম দিনৰ কাৰ্যসূচীৰ মুকলি সভাত অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া গুণকান্ত শইকীয়াই বন্তি প্ৰজ্বলন



কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। টেঙাখাত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ যতীন্দ্ৰ নাথ গগৈৰ সভাপতিত্বত সুচাৰুৰূপে সভাখন পৰিচালিত হয়। বাণীপুৰ শাখা সাহিত্য সভাৰ সম্পাদক নীভা বৰুৱাই 'ভাষা গৌৰৱ' অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ, লিখন আৰু কথন কলাৰ মান্যতা বজাই ৰাখি চৰ্চা অব্যাহত ৰাখিবলৈ আহ্বান জনাই বক্তব্য প্ৰদান কৰে বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি পদ্মা শইকীয়া খনিকৰে। সভাৰ সভাপতি যতীন্দ্ৰ নাথ গগৈয়ে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰাপ্তি সম্পৰ্কে এক সাৰুৱা বক্তব্য প্ৰদান কৰে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ এটি সুন্দৰ কবিতা আবৃত্তিৰে জিলা সাহিত্য সভাৰ সাংস্কৃতিক আহ্বায়িকা ঝৰ্ণা শইকীয়াই সভাখনিৰ গাম্ভীৰ্য বঢ়াই তোলে। জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক উৎপল সোনোৱালে উপস্থিত থাকি সভাখনিৰ সফল ৰূপায়ণক ভূয়সী প্ৰশংসা কৰে। ৰেডক্ৰছ ছ'চাইটিৰ সম্পাদক ড° পংকজ কুমাৰ শ্ৰুতিকৰ উপস্থিত

(নপৃষ্ঠাত চাওক)

# বুকু দুৰু দুৰু কপে

বেপাৰ বাণিজ্যৰ কেন্দ্ৰস্থল, বিয়াগোম বিয়াগোম ৰাজনৈতিক নেতা-পালিনেতাৰ কৰ্মস্থলী তথা বাসস্থান, সকলোৰে সপোনৰ মহানগৰ আমাৰ অতি মৰমৰ গুৱাহাটীৰ ৰাজপথত খাকী ড্ৰেছৰ ক্ষমতাৰে বলীয়ান এজন অতি নিষ্ঠুৰ কৰ্তব্যপৰায়ণ (?) আৰক্ষী বিষয়াৰ মুখৰ নিকৃষ্ট শব্দলানী তথা সাধাৰণ মানবীয় প্ৰমূল্যবোধক ইউনিফৰ্মৰ জোতাৰে মোহাৰি নৃশংসতা তথা চৰকাৰী ক্ষমতাৰ অপব্যৱহাৰৰ যি নিৰ্দশনৰ ভাইৰেল ভিডিঅ' তাক মানসিক বিকাৰগ্ৰস্ত দুই এজনৰ বাহিৰে সুস্থ মন মগজুৰ অধিকাৰী সকলোৱেই এক মুখে গৰিহণা দিছে আৰু লগতে তালিবানী আৰ্দশেৰে অনুপ্ৰাণিত খাকী 'বিহাইণ্ড দ্যা ড্ৰেছ'যোৰৰ অসুৰটোৰ দৃষ্টান্তমূলক শাস্তি তথা চাকৰীৰ পৰা বৰ্খাস্তকৰণৰ দাবী জনাইছে।

সমগ্ৰ মানৱ জাতিৰ লগতে আৰক্ষী প্ৰশাসনৰ কিছুমান কলংকিত চৰিত্ৰৰ বাবেই আমাৰ সকলোৰে খাকী 'বিহাইণ্ড দ্যা ড্ৰেছ' যোৰৰ মুখবোৰ দেখিলেই বুকু দুৰু দুৰু কপে নিকি বাৰু?

**Lost**

**If found anybody**

I have lost my Orginal birth cirtificate Registration no-1961, SLno. 0070393 Issue date - 23/09/2002, any body plz Contact.

Biswajit Chamuah Phone no. 7637849299

# গুৱাহাটী লিটাৰেচাৰ ফেষ্টিভেলৰ দ্বাৰা প্ৰথম বাৰৰ বাবে ড° নগেন শইকীয়াক ধ্ৰুপদী অসমীয়া ভাষা বঁটা

ৰঙিলী বাৰ্ত্তাসেৱা- ধ্ৰুপদী অসমীয়া ভাষা বঁটা প্ৰথমবাৰৰ বাবে গুৱাহাটী লিটৰেচাৰ ফেষ্টিভেলৰ দ্বাৰা ড° নগেন শইকীয়াক আগবঢ়োৱা হয়। সাহিত্য একাডেমি বঁটা, অসম ভেলী সাহিত্য বঁটা, জাতীয় শিক্ষক বঁটা, ৰাষ্ট্ৰীয় সাহিত্য বঁটা, নিৰ্মলা দেৱী স্মাৰক বঁটা আদি লাভ কৰা ড° শইকীয়া ৰাজ্যসভাৰ প্ৰাক্তন সদস্য আছিল। অনুষ্ঠানটো অনুষ্ঠিত



হৈছিল ৮ৰ পৰা ১১ নৱেম্বৰলৈ গুৱাহাটীৰ এন ই এফ মহাবিদ্যালয়ত। স্বাস্থ্যজনিত কাৰণৰ বাবে শইকীয়াই গুৱাহাটীলৈ যাব পৰা নাছিল আৰু সেই বাবে ১২-১১-২৪ত ডিব্ৰুগড়ত তেওঁলোকৰ নিজা বাসগৃহ বৰ্ণমালাত এই বঁটা প্ৰদান কৰা হয়। বঁটা অনুষ্ঠানত উপস্থিত থাকে গল্পকাৰ গৈৰিকা বৰুৱা, লেখিকা ৰেহেনা বানু, আব্দুল খালেক, এম হাছিম আলী, নাছিমা বানু আৰু জি এল এফ দলৰ সদস্যা ফাৰহানা শবনম উপস্থিত থাকে। ড° শইকীয়াক প্ৰদান কৰা বঁটাৰ সৈতে থাকে এখন চেলেং চাদৰ, এখন ফুলাম গামোচা, এটা জাপি আৰু দহ হাজাৰ টকাৰ এখন চেক। জি এল এফৰ সভাপতি পূৱৰী বৰা আৰু সম্পাদক আবিদ আজাদে শইকীয়াক শুভেচ্ছা আৰু সুস্বাস্থ্যৰ কামনা কৰে। এই বঁটা লাভ কৰি ড° শইকীয়াইও জি এল এফৰ সমূহ সদস্যক ধন্যবাদ জ্ঞাপন কৰে।

# তিনিচুকীয়াত শোকাৱহ দুৰ্ঘটনাত শিশুসহ চাৰিগৰাকী নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- মঙলবাৰে পুৱাই তিনিচুকীয়া-ডিব্ৰুগড় বাইপাছত এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত এগৰাকী শিশুসহ চাৰিগৰাকী লোক থিতাতে নিহত হয় আৰু দুগৰাকী মহিলা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। বাইপাছ পথৰ কাষত থকা এটা গাঁতত পৰি সংঘটিত হয় দুৰ্ঘটনাটো। পৰৱৰ্তী সময়ত দুৰ্ঘটনা সংঘটিত হোৱা বাহনখন প্ৰত্যক্ষ কৰি স্থানীয় লোকে আৰক্ষীক অৱগত কৰাৰ লগতে দুগৰাকী মহিলাক পানীৰ মাজত পৰি থকা গাড়ীখনৰ পৰা জীৱন্তে উদ্ধাৰ কৰে যদিও আন চাৰিগৰাকীক উদ্ধাৰ কৰিব নোৱাৰে স্থানীয় লোকে। কিছু সময়ৰ পাছত ঘটনাস্থলীত স্থানীয় আৰক্ষী উপস্থিত হৈ বাহনখন পানীৰ পৰা উদ্ধাৰ কৰি বাহনখনৰ পৰা চাৰিটাকৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ কাৰণে তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। সমান্তৰালভাৱে আঘাতপ্ৰাপ্ত পৰিয়ালৰে দুই মহিলাক চিকিৎসাৰ কাৰণে তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। মৃত মহৎ শ্বাহৰ পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি, নিহত লোককেইজনৰ দুজন বৰডুবিৰ আৰু দুজন বিহাৰৰ। এ এছ-০৬ এ এ-২৫৮৩ নম্বৰৰ (নপৃষ্ঠাত চাওক)

# ৰকিবুল হুছেইনৰ কনভয়ত আক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- উপ-নিৰ্বাচনৰ ভোট গ্ৰহণৰ মাজতে চামগুৰিৰ পুব-শালপাৰাত নিৰ্বাচনী হিংসা। ভোটদান চলি থকা সময়ত লোকসভাৰ সাংসদ ৰকিবুল হুছেইনৰ কনভয়ত অচিনাক্ত ব্যক্তিয়ে আক্ৰমণ কৰে। ঘটনাৰ সময়ত কৰ্তব্যত থকা এগৰাকী সাংবাদিকৰ বাহনকো ভাঙি পেলোৱা হয়। ৰকিবুল হুছেইনৰ বিৰুদ্ধে শ্ল'গান একাংশৰ।এই কাণ্ডৰ ফলত আৰক্ষীয়ে সঁহাৰি জনায়, আৰু অঞ্চলটোৰ নিৰাপত্তা বৃদ্ধি কৰা হয়। অসমৰ চামগুৰিকে ধৰি পাঁচটা সমষ্টিত ভোটগ্ৰহণ চলি থকাৰ সময়তে এই আক্ৰমণ সংঘটিত হৈছে। এই আসনসমূহৰ ভিতৰত বিজেপি, অগপ, ইউ পি পি এল, কংগ্ৰেছৰ আসনসমূহো আছে। বিশেষকৈ চামগুৰি আসনত বিজেপি আৰু কংগ্ৰেছ সমৰ্থকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছে উত্তেজনা আৰু হিংসাত্মক পৰিস্থিতি। শেহতীয়াকৈ নিৰ্বাচনৰ পূৰ্বে হোৱা হিংসাত্মক ঘটনাত বিজেপিৰ পদযাত্ৰাত অস্ত্ৰধাৰী আক্ৰমণকাৰীয়ে গুলীচালনা কৰি তিনিজন লোক আহত হয়।

# বিক্ষোভ-প্ৰতিবাদেৰে ডিব্ৰুগড়ত মটক-মৰাণৰ ১২ ঘন্টীয়া সৰ্বাত্মক বন্ধ প্ৰভাৱ

ৰঙিলী বাৰ্ত্তাসেৱা- বিক্ষোভ আৰু প্ৰতিবাদৰ মাজেৰে সোমবাৰে মৰাণ আৰু মটক জনগোষ্ঠীয় ছাত্ৰ সংগঠনে আহ্বান জনোৱা ১২ ঘন্টীয়া ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বন্ধ কাৰ্যসূচী সৰ্বাত্মক ৰূপত প্ৰভাৱ পৰে। মটক আৰু মৰাণ জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত পুৱা ৫ বজাৰ পৰা সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন আৰু সদৌ অসম মৰাণ ছাত্ৰ সন্থাই আহ্বান জনোৱা বন্ধ কাৰ্যসূচীৰ ফলত স্তব্ধ হৈ পৰে ডিব্ৰুগড় জিলা। বিশেষকৈ ডিব্ৰুগড় মহানগৰত দুই-এখন জৰুৰী যান-বাহনৰ বিপৰীতে ৰাজপথত যান-বাহনৰ চলাচল প্ৰায়েই বন্ধ হৈ পৰে। সমান্তৰালভাৱে বিত্তীয় প্ৰতিষ্ঠানকে ধৰি চৰকাৰী - বেচৰকাৰী কাৰ্যালয়সমূহো সম্পূৰ্ণৰূপে বন্ধ হৈ থাকে। একেদৰে বন্ধ হৈ থাকে মহানগৰীৰ আটাইকেইখন ব্যৱসায়ীক প্ৰতিষ্ঠান। চাবুৱাৰ পৰা মটক আৰু



মৰাণ জনগোষ্ঠীয় সংগঠনৰ নেতা-কৰ্মীসকলে ডিব্ৰুগড় মহানগৰ অভিমুখে এক বিশাল বাইক ৰেলী উলিয়ায়। লাহোৱালৰ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰতিবাদকাৰী সকলে টায়াৰ জ্বলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ইফালে বাইক ৰেলীৰে প্ৰতিবাদ কৰা প্ৰতিবাদকাৰী সকলক প্ৰশাসনৰ ফালৰ পৰা ১৪৪ ধাৰাৰ দোহাই দি আৰক্ষীয়ে বাধা প্ৰদানৰ চেষ্টা কৰে যদিও আৰক্ষীৰ বাধাকো নেওচি মহানগৰৰ মাজমজিয়াত প্ৰতিবাদী কাৰ্যসূচী বাহিৰ কৰে। আনকি আৰক্ষীৰে খণ্ডযুদ্ধৰো সৃষ্টি হয় প্ৰতিবাদকাৰীসকল। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত কৰা মন্তব্যৰ বিৰুদ্ধে উজনিৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত মটক জনগোষ্ঠীয় সংগঠনসমূহে ব্যাপক প্ৰতিবাদ (নপৃষ্ঠাত চাওক)

# আলফা স্বাধীনৰ নামত ধন দাবী কৰি আৰক্ষীৰ জালত দুজন

ৰঙিলী বাৰ্ত্তাসেৱা- তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ বহু সৰু-বৰ ব্যৱসায়ীক আলফা (স্বাধীন)ৰ নামত ধনদাবী কৰাৰ অভিযোগ উত্থাপন হৈছিল।



তিনিচুকীয়া আৰক্ষীয়ে তেনে কিছু অভিযোগ লাভ কৰাৰ পাছত আৰম্ভ কৰে তদন্ত আৰু আৰক্ষীয়ে চলোৱা তদন্তৰ পাছত সোমবাৰে নিশা জিলাখনৰ দুজন লোকক ইতিমধ্যে আটক কৰাৰ লগতে জব্দ কৰিছে বহু আপত্তিজনক সামগ্ৰী। তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসৰ নেতৃত্বত স্থানীয় আৰক্ষী আৰু সেনাৰ সহযোগত চলোৱা অভিযানত ফিল'বাৰী গুটিবাৰীৰ অপূৰ্ব মৰাণ(৩০) আৰু মুক্তি মৰাণ(৩৩)ক আটক কৰা হয়। অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসে জানিবলৈ দিয়া অনুসৰি, তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু ফিল'বাৰীৰ কেইবাজনো ব্যৱসায়ীক ভয়-ভাবুকিৰে আলফা (স্বাধীন) নামত পেইডত ধনদাবী কৰিছিল এই দুই যুৱকে। আৰক্ষীয়ে দুই যুৱকক কৰায়ত্ত কৰাৰ সময়ত আলফা স্বাধীনৰ পেইডত কেইবাখনো ধনদাবী পত্ৰ জব্দ কৰে। অপূৰ্ব মৰাণ এগৰাকী আত্মসমৰ্পণকাৰী আলফা (স্বাধীন) সদস্য আছিল।

মন কথা

# তোমাৰ উশাহ কহুঁৱা কোমল




জ্যোতি খাটনিয়াৰ

এগৰাকী স্বনামধন্য ব্যক্তিৰ স্মৃতিত দুআষাৰ ক'বলৈ পোৱাটো সংবেদনশীল ব্যক্তিয়ে সৌভাগ্যশীল কথা বুলি ভাবে। ব্যক্তিগৰাকী যদি ডাঃ দিপালী দত্তৰ দৰে প্ৰভাৱশীল আৰু সমাজৰ দহজনক নিৰুদ্বেগ জীৱন যাপন কৰাত সহায়ক হোৱাকৈ অহৰহ সমৰ্পিত মনোভাৱেৰে কাম কৰি থকা লোক, তেনেহলে এনে আনন্দ আৰু উৎসাহ বহুগুনে বৃদ্ধি পায়। ৰাজ্যখনৰ মনোৰোগ অধ্যয়নৰ সৈতে জড়িত বিশিষ্ট চিকিৎসক, অতি ওখ খাপৰ গল্পকাৰ ডাঃ সুৰেশ চক্ৰৱৰ্তীৰ ব্যক্তিগত প্ৰয়াস আৰু উদ্যোগত আয়োজিত অনুষ্ঠানৰ এক সুকীয়া মাদকতা আছে। সন্মুখৰ শ্ৰোতাৰ শাৰীত মনঃ সংযোগেৰে বহি থকা ব্যক্তিসকলৰ ভিতৰত দেশৰ মানসিক স্বাস্থ্যৰ বিশেষজ্ঞ , সংবেদনশীল লেখক ডাঃ পুণ্যধৰ দাস, ঔপন্যাসিক ডাঃ শুভ্ৰকিংকৰ গোস্বামী, চকু বিশেষজ্ঞ ডাঃ বিজুলী গোস্বামী, ঔপন্যাসিক, গল্পকাৰ ডাঃ মাধুৰ্য্য ঠাকুৰ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুত কুমাৰ বৈশ্য, উপাধ্যক্ষ ডাঃ জয়দেৱ শৰ্মা, শিশু শৈল্য চিকিৎসাৰ বিশেষজ্ঞ ডাঃ জয়ন্ত কুমাৰ শৰ্মা, শিল্প জগতৰ এজন জনাজাত নাম লাবু সেনাপতি, গল্পকাৰ তপন দত্ত, মনোৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত কুমাৰ দাস, শিল্পী অধ্যাপক অতুল চন্দ্ৰ বৰুৱা, ডাঃ দীপশিখা মেধি আদি থাকে, তেতিয়া যিকোনো বক্তৃতাৰ পৰিসৰ আৰু অৰ্থই এক নতুন ওজন আৰু আয়তন লাভ কৰে। যোৱা দেওবাৰে ডাঃ দিপালী দত্ত স্মাৰক বক্তৃতা প্ৰদান কৰাৰ সুযোগ হৈছিল। এই বক্তৃতা লানিৰ প্ৰথম বক্তৃতাটো প্ৰদান কৰিছিল ডাঃ পুণ্যধৰ দাসে। বিষয় আছিল Existentialism and Logotherapy। এই বক্তৃতাত কোৱা হৈছিল ভিক্টৰ ফ্ৰেংকেলৰ চিকিৎসা পদ্ধতি ল'গ'থেৰাপীৰ যোগেদি কিদৰে মানসিক অসুস্থতাক আঁতৰ কৰিব পাৰি আৰু এক স্বাভাৱিক জীৱনৰ মাজেৰে এগৰাকী মানুহ কেনেকৈ আগুৱাই যাব পাৰে। এই চিন্তাত এজন ব্যক্তিক সামগ্ৰিক ভাৱে চোৱা হয়। তেওঁৰ শৰীৰ(body)আছে। তেওঁৰ মন (psyche) আছে। আৰু তেওঁৰ আছে আত্মা (spirit)। এই তিনিটা মানুহৰ অস্তিত্বৰ তিনিটা দিশ। কিন্তু ইটোৱে সিটোক আওকাণ কৰিব নোৱাৰে। সিহঁতৰ একত্ৰ উপস্থিতিৰ মাজেৰেই জীৱনৰ সজীৱতা প্ৰবাহিত হয়। ল'গ'থেৰাপীৰ ধাৰণাত বিৱেকৰ দ্বন্দ আৰু প্ৰমূল্যৰ সংঘাত সাধাৰণতে আমি নিজেই সমাধান কৰিব পাৰো। কিন্তু প্ৰমূল্যৰ সংঘাতৰ যোগেদি অহা অস্তিত্বকেন্দ্ৰিক হতাশা (existential crisis) ই আমাক অসন্তুলিত অৱস্থালৈ লৈ গৈ নিউৰচিছৰ সৃষ্টি কৰিব পাৰে। এই ক্ষেত্ৰত আধ্যাত্মিক অচেতনতা ( spiritual unconscious) এক গভীৰ অধ্যয়নৰ বিষয় হৈ পৰিব পাৰে। অৱশ্যে মানুহে জীৱনত যি অন্তৰ্নিহিত শূণ্যতা (inner emptiness) অনুভৱ কৰে, সি কোনো মানসিক ৰোগৰ লক্ষণ নহয়। আমাৰ প্ৰত্যাহ্বানটো হ'ল এই শূণ্যতা পূৰণ কৰাহে। মনত ৰখাৰ দৰকাৰ যে কেৱল মানুহেহে জীৱনত অৰ্থহীনতা অনুভৱ কৰে। কাৰণ অকল মানুহে অৰ্থৰ বিষয়ে সচেতন।

তৃতীয় দিপালী দত্ত স্মাৰক বক্তৃতাত বাচি লোৱা বিষয়টো আছিল শিল্প, কল্পনা আৰু সৃষ্টিশীলতা। চেষ্টা কৰিছিলো ছিগমাণ্ড ফ্ৰয়ড, যীশু খ্ৰীষ্ট আৰু গৌতম বুদ্ধৰ চিন্তাৰ আলোকত মানুহৰ বিৰাট আৰু বৈচিত্ৰময় চিত্ৰকলা, ভাস্কৰ্য, সংগীত আৰু চিনেমাৰ জগতখনৰ আঁৰত কাম কৰি থকা মন আৰু তাৰ অন্তৰ্নিহিত ক্ৰিয়া কলাপ সমূহৰ বিষয়ে কিছু কথা কবলৈ। গোড়া খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে বিশ্বাস কৰে যে পৰম সত্যৰ সন্ধানত ব্ৰতী মনৰ বাবে যুক্তি (reason) আৰু বিশ্বাস (faith)ৰ মাজত সংঘাতৰ সৃষ্টি হ'ব নোৱাৰে। দুয়োটাৰ উদ্দেশ্য একেটাই - ৰহস্যৰ শেষ বিন্দুত মানৱ মনক উপনীত কৰাটো। যদিহে কিবা সংঘাত আছে, তেনেহ'লে অনুসন্ধানৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটোতে কিবা বেমেজালি আছে। ছিগমাণ্ড ফ্ৰয়ড নিজেই এজন যুক্তিবাদী মানুহ আছিল। তেওঁ মানুহৰ সকলো কাম - কাজৰ আঁৰত দুটা বিষয়ক চিহ্নিত কৰিছিল। এটা আছিল মানুহৰ যৌনতা (sexuality)। আৰু আনটো আছিল মানুহৰ মৃত্যু তাড়না (death instinct)। যৌনতাৰ তাড়নাক পৰৱৰ্তী সময়ত তেওঁ এক বিষক ৰূপ দি eros ৰ মাজলৈ লৈ গল। পৰৱৰ্তী সময়ত তেওঁ মৃত্যু তাড়নাক অগ্ৰাসন( aggression) ৰ সৈতে জড়িত কৰি পেলালে। মানৱ সভ্যতাৰ বিষয়ে ক'বলৈ গৈ তেওঁ ক'লে যে সভ্যতা আমাৰ ওপৰত এটা আৰোপ কৰি দিয়া বস্তু। আমি সকলোৱে দেখা পৰিশীলিত জীৱনৰ মাজতেই কিন্তু এক অসহজ দিশ লুকাই আছে। আমাৰ অগ্ৰাসি মনোভাৱে সভ্যতাক নানান প্ৰকাৰৰ বাধা দি থাকে।

আগলৈ....

# হে মোৰ প্ৰিয় মানুহ



সত্যজিত গগৈ, চাচনি, ডিব্ৰুগড়

তোমাৰ সংস্পৰ্শত  
বিচাৰি পাইছো  
এমুঠি সুখ।  
দুৰ-দুৰণিৰ পৰা অহা  
এজাক সুগন্ধি বতাহে  
মোৰ মনত দি গৈছে  
আশা ভৰা সপোনৰবোৰ।  
একতা আৰু দৃঢ়তাৰে  
ৰচনা কৰোঁ আহা  
আমাৰ হেঁপাহৰ ঘৰখন...

যোৰাখণ্ডৰ পৰা..

# যামিনীৰ সপোন

মাৰ্জিনা বেগম, বৰপেটা

গিৰিয়েকৰ দিনৰে ঘৰখন তেনেকৈয়ে আছে। কাযৰীয়া মানুহৰ লগত বৰ এটা বেয়া নহয়। জন্ম দিয়া ঘৰখনত মাক-দেউতাক নোহোৱা হোৱাৰ পিছত যি নিৰ্যাতন সহ্য কৰিব লগা হৈছিল তাতকৈ এতিয়া তাই এনেকৈয়ে ভাল আছে। ক'ত দিন হৈ গ'ল সিহঁতে জানো তাইৰ খবৰ লৈছে! একো নাই তাই মৰি যোৱা নাই।

ঃ মাই..

ঃ হেই..

ঃ অথনি জুমিৰ মাকে মাতিছিল ....

ঃ অ' হয়, কিয় বা মাতিল! যাওঁ মই ।

কি যে হৈছে তাইৰ আজিকালি। য'তে ত'তে যি টি কথা ভাবি থকে। কোনোবাই মাত নিদিলে ক'ত কিমান সময় ভাবুক হৈ থাকে গমেই নাপায়। জুমিহঁতৰ ঘৰৰ সৈতে তাইৰ অলপ বেছিয়ে ভাল । সিহঁতেও আপদ-বিপদত তাইক লগ দিয়ে। দুই তিনিঘৰ পাৰ হৈ সিহঁতৰ পদুলিমুখতে মাত দি সোমাই গ'ল।

ঃ বাইদেউ ! মাতিছিল ?

ঃ অ' অ' আহ চোন ভিতৰলৈ। অথনিয়ে মাতিলো তই চাগে কিবা কৰি আছিলি।

ঃ নাই বাইদেউ এনেই অলপ কিবা কিবি।

ঃ তোক খবৰটো দিওঁ বুলি মাতিলো। ঘৰলৈ মাতি অনা বাবে বেয়া নাপাবি।

ঃ হ'ব বাইদেউ আপোনাৰ ককালৰ বিষ লৈ ইমানকৈ ফুৰা-চকা নকৰিব। মাতি ভালেই কৰিলে মই এনেও আহিলোঁ হয়।

ঃ হয় অ', ককালৰ বিষটো নেৰাই হৈছে।

ঃ কওঁকচোন কি কাৰণে মাতিছিল ?

ঃ আমাৰ এই আৰু মুনুৱে এমাহ আগতে যে স্কুলত বৃত্তি পৰীক্ষা দিছিল তাৰেই ৰিজাল্ট আহিছে হেনো। বজাৰত লগ পাই মাষ্টৰে এওঁক লগালে ।

ঃ বৰ ভাল কথা বাইদেউ। পিছে ইহঁতৰ বা কেনে হ'ল।

ঃ ভাল বুলিয়ে কৈছে বোলে। কাইলৈ স্কুলতে ভালদৰে ক'ব। পাৰ যদি গৈ আহিবি। মোৰতো দেখিছাই।

ঃ হয়, ঠিক আছে বাইদেউ। খবৰ টো শুনি ভাল লাগিল।

ঃ হয়। ইহঁতক আৰু ভালকৈ পঢ়োৱাব লাগিব।

ঃ অ' চেষ্টা কৰি আছোঁ। ভাল হ'লেই ভাল। পিছে এতিয়া গৈ থাকোঁ দিয়ক।

ঃ আহিলি হে, অলপ বহ....

ঃ নাই বাইদেউ সন্ধিয়া লাগিবই গৈ থাকোঁ এতিয়া। কাম অলপ এৰি থৈ আহিছো

কথাখিনি কৈ তাই ওলাই আহিল। হয় মুনুৰ ৰিজাল্ট ভাল হওক। আৰু হ'বৈ বিশ্বাস আছে। অষ্টম শ্ৰেণীলৈ পঢ়া তাইৰ খুব ইচ্ছা আছিল ভালদৰে পঢ়া শুনা কৰাৰ। পিছে সেয়া আৰু নহ'ল ।জীৱনটোত কত ধুমুহা পাৰ হৈ গ'ল, কত থেকেচা- মেকেচা খাই খাই জীৱনৰ আজি এইখিনি পাইছে। নিজৰ আধৰুৱা সপোন বোৰ পূৰণ কৰিব, মুনুক ভালকৈ পঢ়োৱাব। তাৰ বাবে যিখিনি কৰিব লাগে তাই দেহে- কেহে কৰিব। নাৰী শক্তিৰ বিকাশ হওক, সেয়া তাৰ পৰাই হওক। এনেকৈ, এনেকৈয়ে এদিন সপোন সূৰুযমুখী হৈ ফুলিব, হাঁহিব। যামিনীৰ সপোনে এদিন আকাশ চুব, পোহৰ বিলাব। কথাবোৰ ভাবি তাই ঘৰলৈ খৰকৈ খোজ দিলে।

# ৰাসক্ৰীয়া কৰিতে কৃষ্ণৰ ভৈল মন

ইভা গন্ধীয়া ফুকন

"শৰতৰ পূৰ্ণিমাৰ জোনাক ৰাতি
কৃষ্ণই বৃন্দাবনত বজায় বাঁহী
বাঁহী মাতে শুনি অ' ৰাধা মাই
কাযৰে কলচি মাটিত পেলায়।"

শৰত কালৰ জোন জ্বলা জোনাক নিশা ৰাস মহোৎসৱৰ আয়োজন কৰা হয়। ৰাস হৈছে এটি ধৰ্মীয় উৎসৱ। চৌদিশে কৃষ্ণৰ বন্দন। কৃষ্ণ কেন্দ্ৰীক এই ৰাস উৎসৱ ল'ৰা -বুঢ়া সকলোৰে মন প্ৰাণ সৰি নিয়ে। "কৃষ্ণ" সুখৰ -দুখৰ সকলো সময়তে আমাৰ মুখত উচ্চাৰিত এটা শব্দ। কৃষ্ণ শব্দতেই নিহিত হৈ আছে যেন গভীৰ প্ৰশান্তি, ত্ৰিভুবনৰ পতি জগতৰ ত্ৰানকৰ্তা।

দ্বাপৰ যুগত শ্ৰীকৃষ্ণই ধেনু চৰাইছিল নাচিছিল বাঁহীৰ সুৰেৰে ঝংকাৰিত কৰিছিল ব্ৰজ ধাম। যিটো চৰিত্ৰ সমগ্ৰ বিশ্বৰ আৰাধ্য, যি সত্তা জগতত পৰিচিত এক অলৌকিক সত্তা হিচাপে, সেই সত্তাক বাস্তৱিক জ্ঞানেৰে বুজিবলৈ যাওঁতে মানসপটত ভাঁহি আহে এটি শ্যাম বৰণীয়া শান্ত সমাহিত মাথাত ময়ূৰ পাখি ধাৰণ কৰা শংখ চক্ৰ ধাৰী এক অবয়ব। বাল কৃষ্ণ বুলিলে লবণু খাই থকা সৰু কৃষ্ণৰ অৱয়ব ভাঁহে চকুৰ আগত।

ভাগৱত পুৰাণৰ পৰা ৰাস সম্বন্ধীয় অধ্যায়সমূহ অনুবাদ কৰি মহাপুৰুষজনাই তেখেতৰ কীৰ্তন ঘোষাত পৰমব্ৰহ্ম শ্ৰীকৃষ্ণৰ লীলাসমুহ ৰাসক্ৰীয়াৰ মাজেৰে বৰ্ণনা কৰিছে। কীৰ্তন ঘোষাত গুৰুজনাই সাৰঙ্গপাণি গোপাল কৃষ্ণৰ মৰ্ত্যত কৰা শিশুলীলাৰ বিভিন্ন চৰিত্ৰ চল, চাতুৰি, ব্ৰজবধুৰ লগত কৰা জলকেলি আটাইবোৰ ৰাসলীলাৰ মাজেৰে বৰ্ণনা কৰিছে। আচলতে ৰাস মানে হৈছে ৰস আচ্ছাদন কৰা। শ্ৰীকৃষ্ণৰ লগত নৃত্য কৰি গোপীসবে আধ্যাত্মিক সুখানুভুতি আৰু ৰস আনন্দ অনুভৱ কৰি পৰমাত্মাৰ ভক্তিৰ সৈতে বিলীন হৈ যি সুখ লাভ কৰিছিল ভাগৱতৰ মতে ব্যাপক অৰ্থত সেয়ে ৰাস উৎসৱ।



গোপীসকলে কৃষ্ণক একান্তভাৱে লাভ কৰিবলৈ দেৱী আৰাধনা কৰিছিল। গোপীসকল হৈছে প্ৰকৃতি স্বৰূপা জীৱাত্মা। জীৱাত্মাৰ লগত কৃষ্ণৰ ঐশ্বৰিক পাৰমাৰ্থিক কৰ্ষনৰ লগত সংযোগ হৈ গোপীসবে স্বৰ্গীয় প্ৰেম অনুভৱ কৰিব পাৰিছিল। প্ৰভুক প্ৰতিৰূপে পাবলৈ মন ব্যাকুল হৈ পৰিছিল। সেয়ে ভক্তৰ অধীন শ্ৰীকৃষ্ণই গোপীৰ মনোবাঞ্ছা পূৰনাৰ্থে যমুনা বালিত ৰাসকেলি কৰিবলৈ ধৰিলে। শৰৎ ঋতুৰ পূৰ্ণিমাৰ মধ্য ৰাতি শ্ৰীকৃষ্ণই বৃন্দাবনত বাঁহী বজায় গোপীৰ মন ভুলালে। বাঁহীৰ সুৰত গোপীসবৰ মন কৃষ্ণক চাবলৈ ব্যাকুল হৈ পৰিল তেতিয়া কোনোৱে নিজৰ সন্তান, কোনোৱে শুৱা পাটিতে পতিক এৰি, কোনোৱে ঘৰৰ বাহী বন এৰি উধাতু খাই দৌৰি আহিল। শৰতৰ বিতোপন ৰাতি কৃষ্ণৰ পঞ্চসুৰ ধ্বনীত বৃন্দাবনৰ তৰু- লতা, ফুল সুশোভিত হ'ল। আকাশ নিৰ্মল হ'ল। পূৰ্ণ জোনৰ পোহৰে যমুনাৰ বালি জ্যোতিষ্মান হৈ পৰিল। চৌদিশে সুকোমল পক্ষীৰ নিনাদ বৃন্দাবন চঞ্চল হ'ল। ৰাধা কৃষ্ণৰ অপূৰ্ব নৃত্যত স্বৰ্গৰ পৰাও পুষ্পবৃষ্টি হ'ল। এনে প্ৰকৃতিৰ বিমোহিত ৰূপত চঞ্চল গোপীসবক কৃষ্ণই বাৰম্বাৰ আপোন গৃহলৈ ঘুৰি যাবলৈ ক'লে। কিন্তু ব্ৰজবধুসকলে কৃষ্ণৰ সংগ সুখ লাভ নকৰাকৈ ঘৰলৈ উভতি নাযায়। তেওঁলোকৰ কাতৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি উপায়হীন কানাই বংশী সুৰে যমুনা বালিত ৰাস নৃত্য আৰম্ভ কৰিলে। কৃষ্ণক বেঢ়ি বেঢ়ি গোপীসকলেও গোলাকৃতি হৈ কৃষ্ণক আলিঙ্গন কৰি লয়লাসেৰে নাচিব ধৰিলে। য'ত গোপী ত'ত কৃষ্ণ। গোপীসবৰ ইচ্ছা পূৰ হ'ল। তেওঁলোকে গপতে ওফন্দি উঠিল। গোপীসকলে কৃষ্ণক তেওঁলোকৰ অধীন বুলি ভাবি মনতে গৌৰৱ অনুভৱ কৰিলে। গোপীৰ গৌৰৱৰ কথা উমান পাই শ্ৰীকৃষ্ণই সিহঁতক এশিকনি দিবৰ মনেৰে ৰাধাক লৈ অন্তৰ্ধান হ'ল। কৃষ্ণৰ গুপুত ৰহস্যৰ কথা জানি চিঞৰি চিঞৰি কান্দিব ধৰিলে। প্ৰাণ কৃষ্ণক বিচাৰি বৃন্দাবন চলাথ কৰিলে। তেওঁলোকৰ অহংকাৰৰ বাবে যে কৃষ্ণক হেৰুৱাব লগা হ'ল, উপলব্ধি কৰি পুনৰ একচিত্তে কৃষ্ণক প্ৰাৰ্থনা কৰিলে আৰু নানা লীলা কৰি কৃষ্ণক বিচাৰিব ধৰিলে। গোপীসকলৰ ভক্তিত সন্তুষ্ট হৈ তেওঁ ৰাধাক লগত লৈ গোপীসকলৰ মাজলৈ ঘুৰি আহিল। কৃষ্ণক দেখি গোপীসকলৰ মনত আনন্দ লাগিল। পুনৰ কৃষ্ণ আৰু গোপীৰ মাজত ক্ৰীড়াকেলি আৰম্ভ হ'ল।

*(বাৰপৃষ্ঠাত চাওক)*

যোৰাখণ্ডৰ পৰা..

# চৰিত্ৰপাঠ আৰু আজিৰ ৰাজনৈতিক নেতা



**ৰাতুল মহন্ত**

সাম্প্ৰতিক কালত এনে পদক্ষেপ মহাবিদ্যালয় সমূহে লয় নে নলয় নাজানো আৰু ল'লেও আজিৰ তাৰিখত পোহৰ পিয়াসী কোনো ছাত্ৰ নাযায় আৰু অভিভাৱকেও যাবলৈ নিদিয়ে। যোৱা এটামান দশক ধৰি বিধানসভাৰ অধিবেশন সমূহ একপ্ৰকাৰ বজাৰলৈ ৰূপান্তৰিত হৈছে। বিধানসভা বা সংসদ - য'ত ৰাজ্যৰ- ৰাষ্ট্ৰৰ উন্নতিৰ বাবে, প্ৰশাসন যন্ত্ৰৰ বেমেজালি দূৰ কৰিবলৈ বিভিন্ন আইন কানুন প্ৰস্তুত কৰা হয়, সেয়া এতিয়া পৰ্যবসিত হৈছে এক ৰণথলীলৈ, বজাৰলৈ। কাৰোৰ মাত কোনেও নুশুনে। আটাইতকৈ ডাঙৰ কথা জনপ্ৰতিনিধিৰ মুখৰ ভাষা। তেওঁলোকৰ ব্যক্তিগত স্বভাৱ চৰিত্ৰক বিসৰ্জন দি বিধানসভাত দিব লাগে শান্ত আৰু ভদ্ৰতাৰ পৰিচয় ; প্ৰতিপক্ষৰ যুক্তিক খণ্ডন কৰোঁতে ল'ব লাগে অনিৰুদ্ধ যুক্তিৰ আশ্ৰয়। কিন্তু তাকে নকৰি শালীনতাৰ সকলো সীমা অতিক্ৰমি যি ধৰণৰ তৰ্কত লিপ্ত হয় সেয়া দেখিলে সাধাৰণ জনতা ভাবিবলৈ বাধ্য হয় এওঁলোক কোন? জুৱাখেলত মত্ত সাধাৰণ মানুহ? নিলাম বজাৰৰ ক্ৰেতা? নে সাধাৰণ জনগণৰ সুযোগ্য প্ৰতিনিধি! তেওঁলোকৰ আচৰণত ভদ্ৰতাৰ কিবা চিন দেখিবলৈ পায় নে? এওঁলোক ভদ্ৰলোক হ'বলৈ চেষ্টা কৰেনে? পঢ়িছেনে বাল্টাছাৰ গ্ৰেছিয়ানৰ "The Compleat gentleman"? পঢ়া হ'লে এনে উদণ্ড- উদ্ধত আচৰণ কৰিলেহেঁতেন নে?

সাম্প্ৰতিক দিন কেইটাত বাতৰি কাকতত "চৰিত্ৰপাঠ" নামৰ আমি পঢ়া কিতাপখন পুনৰ বিদ্যালয়ত প্ৰবৰ্তন কৰিব খোজাক লৈ ভালেমান লেখা প্ৰকাশ পাইছে। কিন্তু উপদেশতকৈ আৰ্হি ভাল বোলা কথা এষাৰ আছে। মানুহ মাত্ৰে অনুকৰণ প্ৰিয়। কোমল মনৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এই কথাটো বৰকৈ খাটে। আপুনি যদি সন্তানক কয়, "বাবাটো জ্যেষ্ঠ আৰু জ্ঞানীজন পৰম পূজ্য। তুমি তেখেত সকলক সন্মান আৰু শ্ৰদ্ধা কৰিবা দেই।" তেতিয়া আপোনাৰ সন্তানে যদি আপোনাক সোধে, "দেউতা, হিমন্ত মামাই বাৰু ড° হীৰেন গোহাঁই ছাৰৰ নিচিনা জ্যেষ্ঠ আৰু পণ্ডিত ব্যক্তিক কিয় "হীৰেন গোহাঁই" বুলি কয়? কিয় তুচ্ছ তাচিল্য কৰে তেখেতক?" তেতিয়া আপুনি বাৰু কি উত্তৰ দিব? যদি আপোনাক সোধে, পিতৃসম, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৰক মামাই কিয় আঙুলি জোকাৰি কথা কৈছিল? তেতিয়া আপুনি কি উত্তৰ দিব? গতিকে এতিয়া ছাত্ৰ-ছাত্ৰীক চৰিত্ৰপাঠ খন পঢ়িবলৈ দিয়াৰ আগতে ৰাজনৈতিক নেতা, পালিনেতা, ঘোচখোৰ বিষয়া- কৰ্মচাৰী, মানুহক মানুহ বুলি গণ্য নকৰা শিক্ষক- অধ্যাপক সকলে চৰিত্ৰপাঠৰ আদিপাঠ শিকক। টিভি বাতৰি কাকত মেলিলেই মন্ত্ৰী আমোলা বিষয়াৰ পৰ্বতসম দুৰ্নীতি, গুৰু-শিষ্যৰ সম্পৰ্কত কালিমা, মদৰ ৰাগীত পত্নীক হত্যা, হত্যাকাৰীকো নিৰ্দোষী সজোৱাৰ চৰকাৰী উদ্যোগ আদিৰ খবৰ বিলাক পঢ়াৰ পাছত- দধীচি মুনিৰ আত্মত্যাগ, একলব্যৰ গুৰুদক্ষিনা, বা কাছাবিয়াংকাৰ পিতৃ ভক্তি পঢ়ি ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা ল'ব পাৰিব বুলি আপুনি ভাবেনে?


চতুৰ্থ শ্ৰেণীত আমি লক্ষ্যধৰ চৌধুৰীয়ে লিখা "মোৰ লক্ষ্য" নামৰ কবিতা এটা পঢ়িছিলো। কবিতাটোত গান্ধী, নেহৰু, আজাদ, সুভাষ বসু, জয় প্ৰকাশ নাৰায়ণ, সৰোজিনী নাইডু, নবীন চন্দ্ৰ বৰদলৈ, তৰুন ৰাম ফুকন আদি ৰাজনীতি আকাশৰ ভোটা তৰা স্বৰূপ ব্যক্তি সকলক আদৰ্শ হিচাপে ল'বলৈ কবিতাটোৱ জড়িয়তে উদ্বুদ্ধ কৰিছিল। কিন্তু আজিৰ তাৰিখত সমগ্ৰ ভাৰতৰ সহস্ৰ সহস্ৰ ৰাজনৈতিক নেতাৰ অন্ততঃ এজনৰ নাম ল'ব পাৰিনে যাক নতুন প্ৰজন্মই আদৰ্শ ৰাজনৈতিক পুৰুষ বুলি গণ্য কৰিব পাৰে? এখন ৰাজ্যৰ মুখ্যমন্ত্ৰী মানে তেওঁ সেইখন ৰাজ্যৰ সমস্ত জনগণক প্ৰতিনিধিত্ব কৰে। তেওঁৰ মুখৰ কথা মানে ৰাইজৰ কথা। সেয়েহে বাক সংযম মুখ্যমন্ত্ৰীৰ একান্ত প্ৰয়োজন। কিন্তু এতিয়াৰ হাৰিয়ানাত বাবৰ বিলাকক বিচাৰি বিচাৰি মাৰিব লাগিব বুলি কৈ আহিল। প্ৰকৃততে মোগল সকলৰ অৱদান ভাৰতলৈ একোৱেই নাই নেকি? ইতিহাস জ্ঞানৰ অভাৱ হ'লেও এনে কথা এজন মুখ্যমন্ত্ৰীয়ে কোৱা অনুচিত। মুখ্যমন্ত্ৰীয়ে জিলাৰ উপায়ুক্ত হিচাপে কৰ্মৰত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াকো "ঐ ডি চি" বুলি কোৱাৰ নজিৰ আছে। গতিকে কণ কণ ছাত্ৰ-ছাত্ৰীক চৰিত্ৰপাঠৰ শিক্ষা দিয়াৰ আগতে আমাৰ ৰাজ্যৰ কৰ্ণধাৰ আমোলা বিষয়া সকলেহে চৰিত্ৰপাঠৰ শিক্ষা লোৱা উচিত। মুখ্যমন্ত্ৰীৰ মুখত বাবৰৰ কথা ওলাইছে বাবে বাবৰৰ জীৱনৰ সঁচা কাহিনী এটাও পাঠক সমাজক জনাব খুজিছোঁ। এবাৰ এটা অভিযানত বাবৰ আৰু তেওঁৰ সৈতে থকা সৰু সৈন্য বাহিনীটো বৰফৰ ধুমুহাৰ সন্মুখীন হ'ল। তেওঁলোকে ততাতৈয়াকৈ এটা গুহাৰ ওচৰ পালেগৈ আৰু বাবৰে নিজ হাতে বৰফ আঁতৰাই অকনমান বহাৰ ঠাই উলিয়াই ল'লে। সৈনিক সকলে তেওঁক হাড় কঁপোৱা শীতৰ পৰা অলপ ৰক্ষা পাবলৈ গুহাৰ ভিতৰলৈ যাবলৈ কোৱাত বাবৰে সৈনিক সকলক কৈছিল - "I felt that for me to be in warm shelter and comfort whilst my men were in the snow and drift, for me to be sleeping at ease inside, whilst my men were in misery and distress, was not a man's act and far from comradship. What strong man can stand I would stand, for, as the persian proverb says, In the company of friends, death is a nupital feast'. So I remained in the snow and wind in the hole that I had dug out, with snow four hands thick on my head and back ears." মোগল বুলিলেই, বাবৰৰ নাম ক'লেই সাত জাপ মৰা ড° শৰ্মা আৰু তেওঁৰ সাঙ্গোপাঙ্গ সকলে বাবৰৰ এই কথাখিনি মনত ৰখা ভাল।




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

যোৱাখণ্ডৰ পৰা..

# পণ্ডিত জৱাহৰলাল নেহৰুৰ বিষয়ে আলোকপাত আৰু শিশু দিৱসৰ তাৎপৰ্য



**নাছিৰ আহমেদ,গোৱালপাৰা**

পৰৱৰ্তী পণ্ডিত জৱাহৰলাল নেহৰুৰ সুযোগ্য দুহিতা ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ শাসন কালত সংবিধান সংশোধনৰ জৰিয়তে এই দেশখন ধৰ্ম-নিৰপেক্ষ (Secular) ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হয়। পণ্ডিত জৱাহৰলাল নেহৰুৱে আমাৰ দেশত সংসদীয় চৰকাৰ প্ৰৱৰ্তন (Parliamentary Government System) কৰি ভাৰতবৰ্ষক শ্ৰেষ্ঠ গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে নিৰ্মাণ কৰিছিল আৰু আমাৰ দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বৃহৎ বৃহৎ শিল্পায়ন (Industrialation),আনবিক শক্তি (Atomic energy) বৃদ্ধি আৰু মিশ্ৰ অৰ্থনীতিৰ(Mixed Economy) পোষকতা কৰিছিল।

তৎকালীন ভাৰতৰ আভ্যন্তৰীন কন্দলসমূহ নিয়ন্ত্ৰণৰ সমান্তৰাল ভাৱে পৰৰাষ্ট্ৰ নীতি প্ৰণয়নত তেওঁ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। নেহৰুৱে নিজে সোতৰ বছৰ ধৰি পৰামৰ্শদাতাৰ সহযোগিতাত পৰৰাষ্ট্ৰ নীতিৰ জৰিয়তে বহিৰ্বিশ্বক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ পৰৰাষ্ট্ৰ নীতিৰ মূল বৈশিষ্ট্য আছিল, আদৰ্শগত দৃষ্টিভংগীৰ সৈতে পঞ্চশীল, জোট নিৰপেক্ষতা, সাম্ৰাজ্যবাদ বিৰোধী আৰু বৰ্ণবাদ বিৰোধী।

নেহৰুৰ পৰৰাষ্ট্ৰ নীতিৰ মূল ধাৰণা আছিল -

প্ৰথমতে স্নায়ু যুদ্ধকালীন সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰুছিয়াৰ ব্লকৰ পৰা ভাৰতক সম্পূৰ্ণ ৰূপে নিলগত ৰখা। দ্বিতীয়তে ভাৰতবৰ্ষক আন্তৰ্জাতিক পৰ্যায়ৰ সকলো ক্ষেত্ৰতে সুনাম, সততা আৰু বন্ধুত্ব গঢ়ি তোলা।

ভাৰতৰ এই পৰৰাষ্ট্ৰ নীতিত সন্তুষ্ট হৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰুছিয়াই ভাৰতৰ লগত বন্ধুত্ব অটুট ৰাখিছিল।

পণ্ডিত জৱাহৰলাল নেহৰুৰ পৰৰাষ্ট্ৰ নীতিসমূহ তলত সংক্ষেপে উল্লেখ কৰা হ'ল

১) পঞ্চশীল নীতি- ১৯৫৪ চনৰ ২৮ এপ্ৰিলত স্বাক্ষৰিত পঞ্চশীল নীতিৰ ভিত্তিত জৱাহৰলাল নেহেৰুৱে পৰৰাষ্ট্ৰ নীতি গ্ৰহণ কৰে। সেইবোৰ হ'ল-

ক) অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ ওপৰত পাৰস্পৰিক শ্ৰদ্ধা।

খ) এখন দেশে আইনখন দেশক অনাক্ৰমণ।

গ) এখন দেশে আইন দেশৰ আভ্যন্তৰীন বিষয়ত হস্তক্ষেপ নকৰা।

ঘ) সমতা আৰু পাৰস্পৰিক সুবিধা।

ঙ) শান্তিপূৰ্ণ ভাৱে সহ-অৱস্থান।

২) কমনৱেলথ গঠন- আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পিছত ১৯৫০ চনত ভাৰতক প্ৰজাতন্ত্ৰ দেশ হিচাপে ঘোষণা হোৱাৰ লগে লগে পণ্ডিত জৱাহৰলাল নেহৰুৱে বৃটিছ সাম্ৰাজ্যৰ পৰা স্বাধীনতা লাভ কৰা দেশসমূহক লৈ পৰস্পৰৰ মাজত সৌহাৰ্দ বজাই ৰাখিবলৈ কমনৱেলথ (Commonwealth)গঠন কৰা হৈছিল।

৩) জোট নিৰপেক্ষ আন্দোলন- ১৯৬১ চনত বেলগ্ৰেডত পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰচেষ্টাত জোট নিৰপেক্ষ আন্দোলন গঢ়ি উঠাৰ হেতুকে যুগোশ্লাভিয়াৰ প্ৰেছিডেন্ট টিটো, মিছৰৰ প্ৰেছিডেন্ট নাছেৰ আৰু ম্যানমাৰৰ প্ৰধানমন্ত্ৰী ইউ নু ৰ লগত আমাৰ দেশৰ সুসম্পৰ্ক গঢ়ি উঠে। তেনেদৰে, আমাৰ ভাৰতবৰ্ষখন দ্বিখণ্ডিত হৈ ১৯৪৭ চনৰ ১৪ আগষ্টত পাকিস্তান ৰাষ্ট্ৰ আৰু ১৫ আগষ্টত আমাৰ দেশ ভাৰতবৰ্ষ স্বাধীনতা লাভ কৰাৰ পিছত দুয়োখন দেশৰ সংখ্যা-লঘু জনসাধাৰণে যাতে নাগৰিকত্বৰ সকলো সাসুবিধা যেনে- সম্পত্তিৰ ৰক্ষণাবেক্ষণ, স্থায়ীভাৱে বসবাসৰ অধিকাৰ আৰু নিৰাপত্তা লাভ কৰে, তাৰ বাবে দুয়োখন দেশৰ মাজত ১৯৫০ চনত নেহৰু-লিয়াকত চুক্তি স্বাক্ষৰিত হৈছিল। কেৱল ১৯৬২ চনৰ ভাৰত -চীন যুদ্ধৰ ফলত হিন্দী-চীনী ভাই ভাই শ্লোগান অৰ্থহীন হৈ পৰিছিল। চীন দেশে ভাৰত-চীনৰ মাজত হোৱা পঞ্চশীল নীতিক বুঢ়া আঙুলি দেখুৱাই ভাৰতবৰ্ষৰ অন্তৰ্গত নেফা, North East Frontier Agency (বৰ্তমান অৰুণাচল প্ৰদেশ)ৰ কিছু অংশ সামৰিক শক্তি প্ৰদৰ্শন কৰি চীন দেশৰ অন্তৰ্ভুক্ত কৰি লয়। জীৱনৰ অন্তিম সময়চোৱাত পণ্ডিত জৱাহৰলাল নেহৰুৱে প্ৰথম বাৰৰ বাবে পৰৰাষ্ট্ৰ নীতিৰ ক্ষেত্ৰত বিফল হৈ মানসিক ভাৱে ভাগি পৰি হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ অকালতে মৃত্যুক আঁকোৱালি লৈছিল। পণ্ডিত জৱাহৰলাল নেহৰু এগৰাকী আন্তৰ্জাতিক প্ৰথিতযশা পণ্ডিত, বিখ্যাত ৰাজনীতিজ্ঞ আৰু নতুন ভাৰতৰ নিৰ্মাণৰ শ্ৰেষ্ঠ স্থপতিবিদৰ উপৰিও এটি বিশেষ গুণৰ অধিকাৰী হোৱাৰ বাবে তেওঁ ভাৰত তথা বিশ্ববাসীৰ হৃদয়ত চিৰস্থায়ী সাঁচ বহুৱাবলৈ সক্ষম হৈছে, সেয়া হ'ল, তেওঁ শিশুহঁতক প্ৰাণভৰি ভাল পাইছিল। কৰ্ম ব্যস্ততাৰ মাজতো আজৰি সময়খিনি তেওঁ শিশুহঁতৰ লগত হাঁহি-ধেমালি কৰি সময় অতিবাহিত কৰিছিল আৰু তেওঁলোকক প্ৰায়ে বিভিন্ন ৰঙচঙীয়া আৰু দুৰ্মূল্যৰ উপহাৰ দি আনন্দ দান কৰিছিল। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঠাইসমূহত শিশুহঁতৰ সৈতে নেহৰুৱে সহাস্যবদনে আনন্দ-বিনোদন কৰিছিল। শিশুহঁতেও পণ্ডিত জৱাহৰলাল নেহৰুক চাচা (খুড়া)নেহৰু বুলি সম্বোধন কৰিছিল। শিশুহঁতৰ মনোৰঞ্জনৰ বাবে ১৯৫৫ চনত Children's Film Society, India নিৰ্মাণ কৰি শিশুহঁতৰ মনত নিজৰ সংবিধান- প্ৰদত্ত মৌলিক অধিকাৰ, শিক্ষা আৰু কল্যাণ সম্পৰ্কে সচেতনতা বৃদ্ধি কৰি দেশৰ এজন সুস্থ আৰু সুদক্ষ নাগৰিক হিচাপে নিজকে সম্পূৰ্ণ ৰূপে সাজু কৰিবলৈ চেষ্টা অব্যাহত ৰখা। পণ্ডিত জৱাহৰলাল নেহৰুৱে ঘোষণা কৰিছিল যে, The Children of today will make the India of tomorrow. তেওঁ শিশুহঁতক ফুলৰ বাগিচাৰ কোমল কলি বুলি কৈছিল। সিহঁতক যতনেৰে আপডাল কৰা উচিত ; কাৰণ সিহঁতেই হ'ব দেশৰ এজন যোগ্য নাগৰিক আৰু জাতিৰ ভৱিষ্যৎ। ১৯৫৪ চনলৈকে নৱেম্বৰ মাহৰ ২০ তাৰিখে ৰাষ্ট্ৰসংঘৰ নিৰ্দেশ মৰ্মে আন্তৰ্জাতিক শিশু দিৱস (International Children's Day) উদ্‌যাপন কৰা হৈছিল। ১৯৬৪ চনৰ ২৭ মে'ত পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যুৰ পিছৰে পৰা তেওঁৰ জন্ম দিৱস উপলক্ষে ১৪ নৱেম্বৰত জাতীয় শিশু দিৱস (National Children's Day) উদ্‌যাপন কৰা হৈছে। প্ৰত্যেক বছৰে দেশৰ চৰকাৰী বা বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান সমূহে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি শিশুহঁতৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক বিকাশৰ বাবে যত্ন কৰা হৈছে। পণ্ডিত জৱাহৰলাল নেহৰুৱে বিচৰা ধৰণে শিশুহঁতৰ মৌলিক অধিকাৰ, শিক্ষা আৰু কল্যাণৰ বাবে কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰসমূহে নানা আঁচনি প্ৰস্তুত আৰু ৰূপায়ণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই গৈছে। কিন্তু, বৰ্তমান সময়তো শিশুহঁতে সম্পূৰ্ণ সুবিধা লাভ কৰিবলৈ সক্ষম হোৱা নাই। গতিকে, কেৱল বছৰেকত এবাৰ "শিশু দিৱস" উদ্‌যাপন কৰিলেই নহ'ব ; জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে দেশৰ সকলো জনগণে আগবাঢ়ি আহি শিশুহঁতৰ মঙ্গল সাধন কৰিলেহে আমাৰ দেশৰ ভৱিষ্যৎ শিশুহঁত সম্পূৰ্ণ ৰূপে স্বাৱলম্বী হৈ দেশৰ সু নাগৰিক হিচাপে পৰিগণিত হৈ দেশ তথা জাতিৰ ভৱিষ্যৎ উজ্জ্বল কৰি তুলিব।

## ৰ'দ



**মিহিৰ মৌচুম ৰয়**

সকলোৰে প্ৰিয় ৰ'দ  
নৈ, পাহাৰ, পথাৰ, সাগৰ  
সকলোৰে আত্মীয়-স্বজন  
দেশ-বিদেশ, ভূমি-মৰুভূমি, গিৰিপথ-গিৰিশৃংগ  
সকলোতে ৰ'দৰ অকৃত্ৰিম মৰম  
কেতিয়াবা শোষণ  
চৰাই-চিৰিকটি, জীৱ-জন্তু, পোক-পৰুৱা, মাছ-কাছ  
সকলোৰে বুটলি লব পাৰে মৰম  
কেতিয়াবা, পুৰি ছাঁই কৰি দিব পাৰে  
আস্থা-বিশ্বাস  
গছৰ কাযত  
ৰ'দ কিন্তু একান্ত বাধ্য আজ্ঞাবাহী  
ৰ'দে টলাব নোৱাৰে গছ  
নতজানু ৰ'দে ভয় কৰে  
অৰণ্য  
ৰ'দক দুহাতত ৰাখিবলৈকে  
আন্দোলন এটাৰ প্ৰয়োজন  
বৃক্ষ ৰোপণৰ।

অণুগল্প

## ঢাল

**শৈলেন কুমাৰ, মিৰ্জা**

যুদ্ধৰ মাজমজিয়াত সি অসহায়, কেউদিশে ঘেৰি ধৰিছে তাক শত্ৰুৰ দলে। নিজক বচাবলৈ কোনো সুৰুঙা নাই। ইফালে শত্ৰুৰ আক্ৰমণত ক্ৰমান্বয়ে দুৰ্বল হৈ পৰিছে তাৰ ঢাল । শত্ৰুবোৰৰ আচল মুখাবোৰ অতি ভয়াৱহ, ঘৃণনীয়, কদৰ্যক। সিহঁতবোৰৰ আক্ৰমণৰ আহিলা মিঠা হাঁহিৰে হলাহল বিষ ঢালি পৰচৰ্চা কৰা। উপায়ন্তৰ হৈ সি নিজস্ব ৰূপ বৃহৎকায় কৰি ঢাল লৈ আগবাঢ়িল, যুদ্ধত বীৰত্ব আৰু উচিত ৰণকৌশলৰে আগবাঢ়িলে, শত্ৰুৰ দল ছত্ৰভঙ্গ দিয়াটো বাঞ্ছনীয়।

# অশান্ত মণিপুৰত পুনৰ বলবৎ

ৰাখিবলৈ আৰু এই অঞ্চলবোৰত বিদ্ৰোহী গোটবোৰৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ নিৰাপত্তা বাহিনীৰ দ্বাৰা সুসমন্বিত অভিযান চলাবলৈ 'আফস্পা' আৰোপ কৰা হৈছে। 'আফস্পা' জাৰি কৰাৰ পিছত, মণিপুৰৰ ওপৰোক্ত ছয়খন আৰক্ষী থানাৰ অধিকাৰ ক্ষেত্ৰত থকা এলেকাবোৰক সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন ১৯৫৮ৰ ধাৰা ৩-ৰ অধীনত 'অশান্ত অঞ্চল' হিচাপে ঘোষণা কৰা হয় আৰু 'আফস্পা' ২০২৫ ৰ ৩১ মাৰ্চলৈকে অব্যাহত ৰখা হ'ব। উল্লেখনীয় যে যোৱা সোমবাৰে জিৰিবামত নিৰাপত্তা বাহিনীৰে সংঘৰ্ষত নিহত হৈছিল ১০জন কুকি উগ্ৰপন্থী। অঞ্চলটোৰ পৰা তিনিগৰাকী মহিলা আৰু তিনিটি শিশুক উগ্ৰপন্থীয়ে অপহৰণ কৰিও নিছিল। মেইটেই সম্প্ৰদায়ৰ এই মহিলা আৰু শিশুসকলক অপহৰণ কৰি নিয়াৰ পাছত উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান চলাই আছে অৰ্ধসেনা আৰু আৰক্ষীয়ে। আফস্পা নতুনকৈ প্ৰয়োগ হোৱা অঞ্চলসমূহত সামৰিক বাহিনীয়ে মুক্তভাৱে অভিযান চলাব পাৰিব। অশান্ত অঞ্চল ঘোষণা কৰা এই স্থানসমূহত কেন্দ্ৰীয় চৰকাৰৰ অনুমতি অবিহনে সামৰিক বাহিনীৰ কৰ্মীৰ বিৰুদ্ধে কোনোধৰণৰ বিচাৰ প্ৰক্ৰিয়া চলাব নোৱাৰিব। স্মৰ্তব্য যে ইয়াৰ পূৰ্বে ৰাজ্যখনৰ ১৯খন আৰক্ষী থানাৰ অধীনস্থ অঞ্চলক শান্তিপূৰ্ণ অঞ্চল ঘোষণা কৰি সেই অঞ্চলসমূহৰ পৰা আফস্পা প্ৰত্যাহাৰ কৰা হৈছিল। শেহতীয়া সংঘৰ্ষৰ পাছত পুনৰ অৰ্ধসামৰিক বাহিনীৰ অধিক কোম্পানী মণিপুৰলৈ প্ৰেৰণ কৰা হৈছে।

# সদৌ অসম লেখিকা

ছিলং চহৰৰ লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী অঞ্জনা দেৱী বৰুৱা উপস্থিত থাকে। প্ৰতি গৰাকী বক্তাই, তেখেত সকলৰ মূল্যৱান ভাষনত জ্ঞানপীঠ বটা বিজয়ী গৰাকীৰ বৰ্ণাঢ্য জীৱনৰ ওপৰত আলোকপাত কৰে। সভাত মালা শৰ্মাৰ ভজনে সকলোৰে অন্তৰ চুই যায়। তদুপৰি চচল শাখা লেখিকা সমাৰোহ সমিতিৰ সদস্যা সকলে পৰিবেশন কৰা মামনী ৰয়ছম গোস্বামীৰ 'নক্সা' কবিতাটোৰ সমূহীয়া আবৃত্তিয়ে সকলোকে আপ্লুত কৰি তোলে। উক্ত সভাতে প্ৰজ্ঞা দিৱসৰ লগত সংগতি ৰাখি শিশু সকলৰ মাজত অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতাৰ বিজয়ী সকলৰ মাজত বটা সমূহ বিতৰণ কৰা হয়। সভানেত্ৰীৰ ভাষনত প্ৰণীতা শৰ্মাই মামনী ৰয়ছম গোস্বামীৰ স্মৃতিক সজীৱ কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শেষত সহ-সম্পাদিকা সান্ত্বনা দাস বৰ্মণে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায় আৰু তাৰপিছতেই অসম সংগীতৰে সভাখন সমাপ্ত কৰা হয়।

# আৰক্ষীক মুখ্যমন্ত্ৰীৰ বহতীয়া হৈ

চামগুৰি, ৰূপহী আৰক্ষী আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাই এইধৰণৰ আইন নিজৰ হাতত লৈ কাম কৰিছে। ডিজিপি জি.পি সিং, নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলক এই কথা অৱগত কৰিছো। যদি আৰক্ষী আৰু নিৰ্বাচন আয়োগ নিৰেপক্ষ নহয় তেন্তে উলুবাৰীৰ ডিজিপিৰ কাৰ্যালয়ৰ সন্মুখত অনশনত বহাৰ কথা কৈছিলো। তেতিয়া ডিজিপি জিপি সিঙে নগাঁও আৰক্ষীক নীতিগতভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়া বুলি জানিবলৈ দিয়ে। কংগ্ৰেছৰ তিনিজন ল'ৰাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি ৰাখিছে। মই এই কথা নকও যে ল'ৰাকেইজন দোষী নে নিৰ্দোষী। কিন্তু গুলী কোনে ফুটাইছে, তাঞ্জিল হুছেইনৰ গাড়ী কোনে ভাঙিছে, কংগ্ৰেছৰ ৫-৬ জন বিধায়কৰ গাড়ী কোনে ভাঙিছে তাৰো ভিডিঅ' ফুটেজ আছে। যিয়ে নহওক ডিজিপিজনে মোক এটা বাৰ্তা দিছো। অসমৰ আৰক্ষী সঞ্চালক প্ৰধানজনৰ বাৰ্তাটোৰ প্ৰতি মই সন্মান জনাইছো। তেখেতে কৈছে যে নগাঁও আৰক্ষীয়ে নিৰেপেক্ষ আৰু আইনগতভাৱে ব্যৱস্থা গ্ৰহণ কৰিব। আমি চকু ৰাখিম। ৫ সমষ্টিৰ ভোটগ্ৰহণ শান্তিপূৰ্ণ, নিৰপেক্ষ হওক। ৰাইজে গণতান্ত্ৰিক অধিকাৰ শান্তিপূৰ্ণভাৱে সাব্যস্ত কৰক। সিদ্ধান্ত যি হ'ব সেয়া আমি সকলোৱে মানি ল'ম। আজিৰ সংবাদমেলত অসমত বিৰোধী বিহীনভাৱে চৰকাৰ চলাব খোজাৰ অভিযোগ আনি ভূপেন বৰাই কয় যে বিৰোধীবিহীন চৰকাৰ একনায়কত্ববাদী হ'ব। আমি ৰাইজৰ হৈ কাম কৰি আছো। বিৰোধী হোৱাতো পাপ নেকি? বিৰোধী হৈ নিৰ্বাচন খেলাতো পাপ নেকি? বিজেপি আৰু চৰকাৰে কি বুজাব বিচাৰিছে? হিমন্ত বিশ্ব শৰ্মাই কেতিয়াও বিৰোধীত থাকি পোৱা নাই। কিয়নো হিমন্ত বিশ্ব শৰ্মাই আদৰ্শক বিশ্বাস নকৰে। নীতিক বিশ্বাস নকৰে। হিমন্ত বিশ্ব শৰ্মাই কেৱল ধন সৰ্বস্ব, ক্ষমতা সৰ্বস্ব ৰাজনীতিতহে বিশ্বাসী বুলিও সংবাদমেলত ভূপেন বৰাই মন্তব্য কৰে।

# ডিব্ৰুগড়ত শাখা সাহিত্য সভা আৰু

থাকে। পূবেৰুণ সংগীত একাডেমীৰ অধ্যক্ষ ৰুক্মিণী গোস্বামীৰ নেতৃত্বত শিল্পী সমাজৰদ্বাৰা বৰগীত পৰিৱেশন, নমিতা বৰুৱা, নীভা বৰুৱা আৰু অঞ্জলি সোনোৱালে সাহিত্যৰথীৰ 'অসম সংগীত' গীতি কবিতা সুৰেৰে সজাই পৰিৱেশন কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ চিত্ৰাংকন, কবিতা পাঠ, শিশু শিল্পী প্ৰণীত প্ৰীতম গগৈৰ কবিতা আবৃত্তি, দেৱাষ্ণী ফুকনৰ সৃষ্টিশীল নৃত্যৰ লগতে উপাসনা কলাকেন্দ্ৰৰ শিল্পীৰ দ্বাৰা মাদল- বাদনৰ এক মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। সভাত বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্য, বাণীপুৰ মহিলা সমিতিৰ সভাপতি, সম্পাদকসহ বিষয়ববীয়াসকল, পতঞ্জলি যোগপীঠৰ জিলা প্ৰভাৰী হিৰণ্য দত্ত, পূবেৰুণ একাডেমীৰ শিল্পী সমাজ, ভাষাপ্ৰেমী স্থানীয় ৰাইজৰ উপস্থিতিত অসমৰ মুখ্যমন্ত্ৰীৰ লগতে ভাৰতৰ প্ৰধান মন্ত্ৰীক অসমীয়া ভাষাক ধ্ৰুপদী মৰ্যাদা প্ৰদান কৰা বাবে কৃতজ্ঞতা প্ৰকাশ কৰি ধন্যবাদ জনায়। জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ গগৈ, বৰ্তমানৰ সভাপতি নোমল গগৈ, সম্পাদক বদন গগৈ, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটিৰ সদস্য পৰমেশ্বৰ নলবৰীয়াকে প্ৰমুখ্য কৰি বিষয়ববীয়াসকলে 'ভাষা গৌৰৱ' অনুষ্ঠানটি অসমীয়া ভাষাৰ ইতিহাসত স্বৰ্ণ স্মাৰক হৈ ৰ'ব বুলি সহমত প্ৰকাশ কৰে। সভাৰ শেষত উপাসনা কলাকেন্দ্ৰৰ অধ্যক্ষ তৰুণ গগৈয়ে উপস্থিত সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়। জাতীয় সংগীত পৰিবেশনেৰে সভাৰ সামৰণি কৰা হয়।

# বিক্ষোভ-প্ৰতিবাদেৰে ডিব্ৰুগড়ত

সাব্যস্ত কৰিছে। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই, উপ-সভাপতি অজয় গগৈ, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁইয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক কঠোৰ ভাষাৰে তীব্ৰ সমালোচনা কৰে। বিজেপি চৰকাৰে মটক-মৰাণৰ লগতে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ নামত কৰি অহা প্ৰতাৰণা কোনো কাৰণতে সহ্য কৰা নহ'ব। নিৰ্বাচন আহিলেই জনজাতিকৰণৰ প্ৰসংগ উল্লেখ কৰি প্ৰতিশ্ৰুতিৰ নামত প্ৰতিশ্ৰুতি দি আহে শাসকগোষ্ঠীয়ে। ২০২৫ চনৰ ভিতৰত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ নহ'লে বিজেপিক যোগ্য প্ৰত্যুত্তৰ দিয়াৰ হুংকাৰ প্ৰদান কৰিছে। অন্যহাতে সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বৰাই চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে, মটক আৰু মৰাণ জনগোষ্ঠীয়ে জনজাতিকৰণৰ নামত পুনৰ আন্দোলন কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক। বিজেপি চৰকাৰে শাসনৰ গাদীত বহাৰ প্ৰাকক্ষণত অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। এই প্ৰতিশ্ৰুতি , প্ৰতিশ্ৰুতি হৈয়ে ৰ'ল। পৰৱৰ্তী সময়ত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিলে চৰকাৰে। অৱশ্যে মডেলিটি প্ৰস্তুত কৰিলে যদিও সেই মডেলিটি ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাখিল নকৰিলে। ছয় জনগোষ্ঠীক জনজাতিকৰণৰ সদিচ্ছা এই চৰকাৰখনৰ নাই। ৰাজনৈতিক পাশাখেলত জনগোষ্ঠীটোক বঞ্চিত আৰু শোষিত কৰিব যদি বিচাৰে তেনেহ'লে মৰাণ আৰু মটক জনগোষ্ঠীয়ে পুনৰ মোৱামৰীয়া বিদ্ৰোহ ঘোষণা কৰিব বুলি সঁকিয়নি প্ৰদান কৰি কয় যে, এই মোৱামৰীয়া বিদ্ৰোহ যিধৰণে শোষণ তন্ত্ৰৰ বিৰুদ্ধে হৈছিল, সেই শোষণতন্ত্ৰৰ বিৰুদ্ধে মৰাণ-মটকে মোৱামৰীয়া বিদ্ৰোহ পুনৰাবৃত্তি কৰিবলৈ সাজু হৈছোঁ। স্বাধীন দেশৰ নাগৰিক হিচাপে অনুসচিত জাতি- জনজাতি সকলে পোৱা অধিকাৰৰ দৰে আমাৰো সেই অধিকাৰ আছে। এই ভূমিখণ্ডৰ মালিক আমি। এই মালিকক যদি বঞ্চিত কৰা হয়, তাতকৈ দুৰ্ভাগ্যজনক আন একো হ'ব নোৱাৰে।

# দেশৰ ৫১ সংখ্যক মুখ্য

আগবঢ়ায়। দিল্লীৰ নিম্ন আদালতত অধিবক্তা ৰূপে কৰ্মজীৱন আৰম্ভ কৰি দিল্লী উচ্চ ন্যায়ালয়কে ধৰি বিভিন্ন প্ৰাধিকৰণত অধিবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰে। আয়কৰ বিভাগৰ জ্যেষ্ঠ অধিবক্তা হিচাপে কৰ্মৰত সঞ্জীৱ খান্নাই দিল্লী উচ্চন্যায়ালয়ৰ অতিৰিক্ত চৰকাৰী অধিবক্তা কৰ্মৰত সঞ্জীৱ খান্নাই দিল্লী উচ্চন্যায়ালয়ৰ অতিৰিক্ত চৰকাৰী অধিবক্তা হিচাপে অপৰাধমূলক গোচৰৰ যুক্তি প্ৰদৰ্শন কৰিছিল। ২০০৫ চনত ২৪ জুনত দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে পদোন্নতি লাভ কৰাৰ পাছত ২০০৬ চনৰ ২০ জানুৱাৰীত স্থায়ী ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰে। উল্লেখ্য যে উচ্চ ন্যায়ালয়ৰ ৩২গৰাকী জ্যেষ্ঠ ন্যায়াধীশ থকাৰ পাছতো ২০১৯ চনৰ ১৮ জানুৱাৰীত ন্যায়াধীশ সঞ্জীৱ খান্নাক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিছিল। এই লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছিল। ২০২৪ চনৰ ১৭ অক্টোবৰত পৰম্পৰা অনুযায়ী মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে তেওঁৰ উত্তৰসূৰী হিচাপে জ্যেষ্ঠতাৰ ভিত্তিত ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নাম অনুমোদন জনাই আইন আৰু ন্যায় মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছিল। মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ৰ অনুমোদনমৰ্মেই কেন্দ্ৰীয় চৰকাৰে সঞ্জীৱ খান্নাক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে।

# দিছপুৰত সাংসদ-মন্ত্ৰীৰ

ক্ষেত্ৰত কোনো সাংবিধানিক বাধ্যবাধকতা নাছিল। সভাত মন্ত্ৰী হাজৰীকাই আৰু জনায় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে চাহ-জনগোষ্ঠী তথা আদিবাসীসকলৰ সকলো বিষয় অতি আন্তৰিকতাৰে বিবেচনা কৰি আছে আৰু নৱেম্বৰ মাহৰে তৃতীয় অথবা চতুৰ্থ সপ্তাহত তেওঁলোকৰ বিভিন্ন বিষয়সমূহ আলোচনা তথা সমাধান কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ে জনগোষ্ঠীটোৰ সকলো সংগঠনৰ প্ৰতিনিধিৰে মিলিত হ'ব। ইয়াৰ মাজতে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰীগৰাকীয়ে বিভাগীয় আয়ুক্ত-সচিবক জাতিগত প্ৰমাণ পত্ৰকে ধৰি বিভাগে কৰি থকা জনগোষ্ঠীটোৰ সৈতে জড়িত কামসমূহ নিয়াৰিকৈ সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে জনগোষ্ঠীটোৰ এই সংগঠনসমূহে যদি কোনো জাতিগত প্ৰমাণ পত্ৰৰ বিৰুদ্ধে অভিযোগ প্ৰদান কৰে সেই অভিযোগৰ ওপৰত ন্যায়ালয়ৰ নিৰ্দেশানুসৰি কম সময়ৰ ভিতৰতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ নিৰ্দেশনা প্ৰদান কৰে।

# তিনিচুকীয়াত শোকাৱহ

এখন মাৰুতি ছুইফট বাহনেৰে ডিব্ৰুগড় ৰে'লৱে ষ্টেচনৰ পৰা তিনিচুকীয়া দিশে বৰডুবিলৈ আহি থকাৰ মাজতে কাহিলি পুৱা পথ দুৰ্ঘটনাটো সংঘটিত হয়। নিহত লোককেইজন বৰডুবিৰ মহৎ শ্বাহ, মন্টু শ্বাহ আৰু বিহাৰৰ অৰ্থ গুপ্তা, ৰাজেশ গুপ্তা। আঘাতপ্ৰাপ্ত মহিলা দুগৰাকীও বিহাৰৰ। তথ্য অনুসৰি, ১৬ নৱেম্বৰত বৰডুবিৰ অতি অমায়িক ব্যৱসায়ী মহৎ শ্বাহৰ কন্যাৰ বিবাহৰ দিন ধাৰ্য কৰিছিল আৰু সেই বিবাহলৈ বিহাৰৰ পৰা পৰিয়ালৰ লোক ৰে'লৰ জৰিয়তে ডিব্ৰুগড় ৰে'ল ষ্টেচনলৈ আহিছিল আৰু ডিব্ৰুগড় ৰে'ল ষ্টেচনৰ পৰা বৰডুবিৰ ঘৰলৈ বিহাৰৰ আলহী লৈ আহি থকাৰ সময়তে উক্ত শোকাৱহ পথ দুৰ্ঘটনাটো সংঘটিত হয়। উক্ত দুৰ্ঘটনাটোৰ ফলত এতিয়া যেন সৰগ ভাগি পৰিল মহৎ শ্বাহৰ পৰিয়ালটোৰ মূৰত। শোকৰ ছাঁ পৰিছে বৃহত্তৰ বৰডুবি অঞ্চলত। ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰা কন্যাৰ বিয়াৰ বাবে আপোন লোকক আনিবলৈ গৈ ঘৰলৈ ঘূৰি গ'ল পিতৃ তথা আপোনজনৰ নিথৰ দেহ।

# বোকাখাতত সত্ৰীয়া সংস্কৃতি দিৱস উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- বোকাখাতৰ পুৱতি সাহিত্য সভা ভৱনত বোকাখাত জিলা সত্ৰ মহাসভাৰ উদ্যোগত সমগ্ৰ অসমৰ লগতে সত্ৰীয়া সংস্কৃতি দৱস উদযাপন কৰা হয়। আৰম্ভণিতে ভাৰত ৰত্ন, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জনাই ফনীধৰ হাজৰিকা আৰু কেশৱ উপাধ্যায়ে। শংকৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষা ৰিজু বৰা হাজৰিকাৰ পৰিচালনাত বৰগীত পৰিবেশন কৰা হয়। মুল মঞ্চৰ বন্তি প্ৰজ্বলন কৰে বোকাখাত জিলা সত্ৰ মহাসভাৰ প্ৰতিষ্ঠাপক সম্পাদক ঈশ্বৰ চন্দ্ৰ মহন্তই। বোকাখাত জিলা সত্ৰ মহাসভাৰ সভাপতি প্ৰনৱ চন্দ্ৰ দেৱ গোস্বামীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। উদ্দেশ্য বাখ্যা কৰে বোকাখাত জিলা সত্ৰ মহাসভাৰ সম্পাদক



অংকুৰ বৰঠাকুৰে। সভাৰ আৰম্ভণিতে বিশিষ্ট ব্যক্তি প্ৰনৱ চন্দ্ৰ দেৱ গোস্বামী, ঈশ্বৰ চন্দ্ৰ মহন্ত, বিনন্দ বৰুৱা, কেশৱ উপাধ্যায়, ফনীধৰ হাজৰিকা, ধনীৰাম দত্ত, গজেন মহন্ত, নিৰেণ কাকতি, ভৱানন্দ কলিতাক সম্বৰ্ধনা জনোৱা হয়। সত্ৰীয়া সংস্কৃতিৰ সাধক, গবেষক আমন্ত্ৰিত বিশিষ্ট সমল ব্যক্তি নীৰেণ কাকতিয়ে সত্ৰীয়া সংস্কৃতিৰ ইতিবৃত্ত, ইয়াৰ প্ৰসাৰ, প্ৰচাৰ আৰু অসমীয়া সাহিত্যৰ ওপৰত এক বিশেষ বক্তৃতা প্ৰদান কৰে। ভূপেন সংগীত পৰিবেশন কৰে বিশিষ্ট সংগীত শিল্পী বিজয় শৰ্মা আৰু কাকলি গোস্বামীয়ে। বিশিষ্ট ব্যক্তিসকলে সভাত বক্তব্য প্ৰদান কৰে। অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই সত্ৰীয়া সংস্কৃতিৰ সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ ওপৰত প্ৰভাৱ সম্পৰ্কে ভাষন ৰাখে। সভাত বোকাখাত জিলা সত্ৰ সমাসভাৰ কাৰ্যকৰী সভাপতি অৰুণ শৰ্মা, বিশিষ্ট অভিনেতা পৰিচালক হৰি প্ৰসাদ বৰঠাকুৰ, মীৰা শৰ্মা, পুৱতি সাহিত্য সভাৰ সভাপতি অপূৰ্ব বৰদলৈ, বোকাখাত জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ সভাপতি চৈয়দ আনিচুৰ ৰহমান, মনোৰঞ্জন সেন, কল্পনা চেতিয়া, চন্দ্ৰ প্ৰভা শইকীয়া ডেকা, সুৰজিত ভট্টাচাৰ্য, যুৱত শৰ্মা, অজিত কটকী, প্ৰনামিকা দেৱী, বিকুল শইকীয়া, বিমান বৰুৱা, মনালিছা শইকীয়া, বুবুল বৰা, দিলীপ বৰাকে আদি কৰি বহু লোক উপস্থিত থাকে।

## ঝান্সিৰ লক্ষ্মীবাঈ

আৰক্ষী অধীক্ষক সুধা সিঙে প্ৰকাশ কৰা মতে, এনআইচিইউৰ আভ্যন্তৰীণ কক্ষত ৫০তকৈ অধিক শিশু আছিল। অগ্নিকাণ্ডটো সংঘটিত হোৱাৰ পাছতে অধিক সংখ্যককে উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও ইয়াৰ ভিতৰত ১০টিৰ কৰুণ মৃত্যু ঘটে আৰু ১৬টি শিশু আহত হয়। অগ্নিকাণ্ডটো সংঘটিত হোৱাৰ লগে লগে চিকিৎসালয়ত থকা ৰোগীৰ অভিভাৱকৰ লগতে আন আন লোকসকলৰ মাজত হাহাকাৰ লাগে। এই দুখজনক ঘটনাৰ পাছত উত্তৰ প্ৰদেশ চৰকাৰে মৃত শিশুসকলৰ পিতৃ-মাতৃলৈ ৫ লাখ টকাকৈ বিত্তীয় সাহায্যৰ কথা ঘোষণা কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে এই ঘটনাৰ বাবে শোক প্ৰকাশ কৰি ইয়াক ‘অতি হিয়াবিদাৰক’ বুলি কয়। এই অগ্নিকাণ্ডত হোৱা মৃত্যুৰ বাবে শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৃত শিশুৰ নিকট আত্মীয়লৈ ২ লাখকৈ টকাৰ এককালীন সাহায্য ঘোষণা কৰে। আনহাতে এই হৃদয়বিদাৰক ঘটনাটোৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰা হ’ব বুলি মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘোষণা কৰিছে।

## অসম-মণিপুৰ সীমান্তত

এগৰাকী শীৰ্ষ বিষয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি শুকুৰবাৰে নিশা মৃতদেহকেইটা শিলচৰ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। শিলচৰ মেডিকেল কলেজ হাস্পতালৰ মৰ্গত এই মৃতদেহকেইটা ৰখা হৈছে। প্ৰথমে অপহৰণ আৰু তাৰ পাছত মৃত অৱস্থাত উদ্ধাৰ হোৱা এই ৬ মহিলা আৰু শিশু মেইটেই সম্প্ৰদায়ৰ। তেওঁলোকক যোৱা সোমবাৰে সন্দেহজনক কুকি বিদ্ৰোহীয়ে অপহৰণ কৰিছিল। শিলচৰ মেডিকেল কলেজ হাস্পতালৰ সূত্ৰৰ মতে, শুকুৰবাৰে প্ৰথমে তিনিগৰাকী মহিলাৰ মৃতদেহ তালৈ অনা হৈছিল। শনিবাৰে ৰাতিপুৱা আৰু তিনিটা মৃতদেহ হাস্পতালখনৰ মৰ্গলৈ অনা হৈছে। মৃতদেহকেইটা ইতিমধ্যে ফুলিবলৈ আৰম্ভ কৰিছে। উল্লেখ্য যে মণিপুৰ চৰকাৰৰ কৰ্মচাৰী লেচাৰাম হিৰোজিতৰ দুই সন্তান, পত্নী, শাহু আৰু পত্নীৰ ভগ্নীক সন্দেহযুক্ত কুকি বিদ্ৰোহীয়ে যোৱা সোমবাৰে অপহৰণ কৰিছিল। মৃতদেহ উদ্ধাৰৰ পাছত তেওঁ সংবাদ মাধ্যমৰ আগত কয় যে এতিয়ালৈকে মৃতদেহকেইটা মই প্ৰত্যক্ষ কৰিব পৰা নাই। শিলচৰ মেডিকেল কলেজ হাস্পতালৰ মৰ্গ জিৰিবাম জিলাৰ সীমান্তৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ দূৰৈত। উল্লেখ্য যে প্ৰায় ৫ দিন পূৰ্বে জিৰিবাম জিলাত কুকি বিদ্ৰোহীৰ এটা দলে মেইটেই সম্প্ৰদায়ৰ মহিলা আৰু শিশুক বৰোবেৰা অঞ্চলত বন্দী কৰি ৰাখিছিল। তাৰ মাজতেই কুকি বিদ্ৰোহী আৰু চি আৰ পি এফ বাহিনীৰ মাজত এক সংঘৰ্ষৰ সূত্ৰপাত হয়। এই সংঘৰ্ষত ১০জন কুকি বিদ্ৰোহী নিহত হৈছিল। লেচাৰাম হিৰোজিতে জনোৱা মতে, সোমবাৰে তেওঁৰ এজন বন্ধুৱে সশস্ত্ৰ একাংশ লোকে কেইগৰাকীমান মহিলা আৰু শিশুক নাৱেৰে লৈ যোৱা প্ৰত্যক্ষ কৰিছিল। সেইদিনা অঞ্চলটোত অগ্নিসংযোগ আৰু এনকাউন্টাৰ হোৱাৰ খবৰ তেওঁক পত্নীয়ে ফোনযোগে দিছিল। পত্নীৰ সৈতে ফোনত কথা পাতি থকাৰ সময়তে সংযোগ বিচ্ছিন্ন হৈছিল আৰু তাৰ পাছত তেওঁ বহুবাৰ চেষ্টা কৰিও ফোন পুনৰ সংযোগ কৰিব নোৱাৰিলে। অন্তিমবাৰ ফোনত কথা পতাৰ সময়ত হেনো পত্নীয়ে তেওঁক কান্দি কান্দি কৈছিল তেওঁলোকক হাতত অস্ত্ৰ লৈ থকা বহু লোকে ঘেৰি ধৰিছে। সন্দেহযুক্ত কুকি উগ্ৰপন্থীয়ে অপহৰণ কৰি নিয়া এটা পৰিয়ালৰ ছ শিশু-মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে পৰিস্থিতি উত্তপ্ত হৈ পৰিছে। হিংসাত্মক কাৰ্যকলাপত জ্বলি উঠা ৰাজ্যখনৰ তিনি জিলাত সান্ধ্য আইন বলবৎ কৰাৰ লগতে ৭খন জিলাত ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হৈছে। কুকি উগ্ৰপন্থীয়ে অপহৰণ কৰি নিয়া মেইটেই সম্প্ৰদায়ৰ পৰিয়ালটোৰ তিনিগৰাকী মহিলা আৰু তিনিটা শিশুৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে ইম্ফল পশ্চিম জিলাৰ কেইবাটাও অঞ্চলত মহিলাসহ প্ৰতিবাদকাৰী ৰাজপথলৈ ওলাই আহিছে।

## সাহিত্যিক বিপিন চন্দ্ৰ বৰাৰ

সংলাপত সন্নিৱিষ্ট উচ্চস্তৰৰ সাহিত্যৰ বিষয়ে অৱলোকন কৰে। সমজুৱাৰ ভাষণত কিশোৰী মোহন পাল, সুৰবালা ৰাজখোৱা, ডলী বৰুৱা, ৰেণুমালা দত্ত, ললিত শইকীয়া, ঘনকান্ত নাথ, অমৃতেশ্বৰ চুতীয়া, সুৰেন্দ্ৰ নাথ মুদৈ আদিয়ে একাষাৰ কয়। সভাপতিৰ ভাষণত অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই বিপিন চন্দ্ৰ বৰাৰ সাহিত্যৰাজি বৰ্তমান সময়লৈকে লুকাই আছিল বুলি অভিহিত কৰি প্ৰকাশিত গ্ৰন্থখনে লেখকক পুনৰ জনম দিলে বুলি মন্তব্য দিয়ে। লগতে এই লেখাসমূহে পাঠকক মোহাচন্ন কৰি ৰাখিব বুলি আশা প্ৰকাশ কৰে। পৰিয়ালবৰ্গৰ হৈ অৱসৰী চৰকাৰী বিয়া তথা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মাণিক বৰুৱাই লেখকৰ হেৰাই যাবলৈ ধৰা লেখাসমূহ পুনৰুদ্ধাৰ কৰি প্ৰকাশৰ ব্যৱস্থা কৰাৰ বাবে মহাবিদ্যালয়ৰ প্ৰকাশন বিভাগলৈ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষদ্বয় সৰ্বেশ্বৰ হাজৰিকা আৰু নৰেন চন্দ্ৰ ঠাকুৰীয়া, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, জ্যেষ্ঠ অধ্যাপক ডঃ ৰাজেন চন্দ্ৰ বৰা, অজয় প্ৰসাদ সিং, মায়াশ্ৰী ডেকা হাজৰিকা, গীতাৰাণী গোস্বামী, ডঃ ৰূপজ্যোতি বৰা, ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, প্ৰণীতা ৰাজখোৱা, দেৱজ্যোতি খাটনিয়াৰ, ইন্দিৰা বড়া, ডঃ প্ৰফুল্ল বৰা, বসন্ত বৰা, ডঃ দেৱজ্যোতি ভট্টাচাৰ্য, কাৰ্তিক নাথ, পুতুল মহন্ত, নিৰণ শইকীয়া, হিতেশ্বৰ বৰা, মিনতি শইকীয়া, গুণ শইকীয়া, কৃষ্ণকমল শইকীয়া, অৰুণ কুমাৰ পাঠক, দধি বৰুৱা, ৰঞ্জিৎ কুমাৰ ভূঞা, ডিম্বেশ্বৰ দত্ত, জগত হাজৰিকা, যোগেন বৰা বৰবায়ন, দীপক কুমাৰ গোস্বামী, যুগল হাজৰিকা, ডিম্বেশ্বৰ ভূঞা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশ লৈ অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত সহায় কৰে। সভাৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে প্ৰীতিৰেখা গগৈয়ে।

## বৰ্ণিল শোভাযাত্ৰাৰে

বড়ো ভাষাৰ প্ৰচাৰ তথা প্ৰসাৰৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে। অনুষ্ঠানটোত বড়োলেণ্ডৰ মুৰব্বী প্ৰমোদ বড়ো তথা ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুয়ে বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰে। আলোচনা-চক্ৰত উল্লেখযোগ্য অতিথি হিচাপে আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আলোচ্য বিষয়ত ভাষণ দিয়ে। সন্ধিয়া পৰ্যটন আৰু সংস্কৃতিৰ জৰিয়তে এক স্পন্দনশীল বড়োলেণ্ড গঢ়ি তোলাৰ বিষয় সন্নিৱিষ্ট কৰি আন এখন আলোচনা-চক্ৰৰ আয়োজন কৰা হয়। উক্ত আলোচনা-চক্ৰত ড’নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আদিয়ে অংশগ্ৰহণ কৰি বিকশিত বড়োলেণ্ড গঢ়ি তোলাৰ ক্ষেত্ৰত বড়ো জাতিৰ সংস্কৃতিয়ে যোগান ধৰিব পৰা অৰিহণাৰ বিষয়ে সবিশেষ দাঙি ধৰে। লগতে অঞ্চলটোৰ পৰ্যটন খণ্ডত নিহিত হৈ থকা সম্ভাৱনাৰ বিষয়টোও বক্তাসকলে আলোকপাত কৰে। ইয়াৰ পিছত বড়োলেণ্ড মহোৎসৱ উপলক্ষে এক বিশাল সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। সাংস্কৃতিক সন্ধিয়াত কেৱল বড়োৱে নহয়, বড়োলেণ্ডত বসবাসকাৰী সকলো ভাষা তথা জনগোষ্ঠীয় সংস্কৃতিকো দাঙি ধৰা হয়। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ’ৰামে। বিশেষ অতিথি হিচাপে উপস্থিত থাকে বিখ্যাত ধ্ৰুপদী নৃত্যশিল্পী ছোনাল মানসিঙে। বড়োলেণ্ড মহোৎসৱৰ সামৰণি পৰে শিল্পী পাপনৰ কেইবাটাও সুমধুৰ গীতেৰে। লক্ষণীয়ভাৱে নতুন দিল্লীৰ ছাই ইন্দিৰা গান্ধী ষ্টেডিয়ামত নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, দুলাৰাই বড়ো, হাৰিমু আফাদ আৰু গান্ধী হিন্দুস্থানী সাহিত্য সভাৰ সন্মিলিত উদ্যোগত প্ৰথমবাৰৰ বাবে আয়োজন কৰা দুদিনীয়া মহোৎসৱত বড়ো কলা-সংস্কৃতিৰ সৈতে বড়ো খাদ্যসম্ভাৱো দৰ্শনাৰ্থীসকলক পৰিৱেশন কৰা হয়।

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

উপস্থিত হ’ব। ড’মিনিকা চৰকাৰে বিবৃতিত প্ৰকাশ কৰা মতে, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ড’মিনিকা কমনৱেৰ সৰ্বোচ্চ অসামৰিক সন্মান ড’মিনিকা এৱাৰ্ড অৱ অনাৰ আগবঢ়োৱা হৈছে। তেওঁ ক’ভিড-১৯ মহামাৰীৰ সময়ত ড’মিনিকালৈ আগবঢ়োৱা অৱদান আৰু দুয়ো দেশৰ মাজত সম্পৰ্ক শক্তিশালীকৰণৰ স্বীকৃতি হিচাপে। ড’মিনিকাই আগবঢ়োৱা এই সন্মান গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ড’মিনিকা আৰু কেৰিবিয়ান দেশসমূহৰ সৈতে জলবায়ু পৰিৱৰ্তন আৰু ভূ-ৰাজনৈতিক সংঘাতৰ আন্তৰ্জাতিক প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব দিব বুলি প্ৰকাশ কৰিছে।

# ENGLISH NEWS SECTION

## Raj Bhavan Assam celebrates foundation day of Jharkhand



Guwahati, RB News: As part of "Ek Bharat Shreshtha Bharat" initiative, Raj Bhavan Assam celebrated the foundation day of Jharkhand in the conference hall of Raj Bhavan. The celebrations have been aimed at promoting unity and diversity across the country. Coinciding with the occasion, Janajatiya Gaurav Divas was also observed. Rich floral tributes were paid by officers and staff of Raj Bhavan to the portrait of freedom fighter Bhagwan Birsa Munda, a legendary tribal leader from Jharkhand.OSD, Chancellor's Secretariat Kabita Deka spoke on the occasion. She said that the celebrations highlight the importance of unity and diversity in India, acknowledging the contributions of various states and union territories to the country's growth and development. She said that the day has been observed as Jharkhand foundation day which marks the celebration of rich cultural heritage, unique traditions, and the contributions of the people of Jharkhand to India's growth and development. Representatives belonging from Jharkhand also spoke on the occasion.

## Assam Governor interacts with IPS probationers




Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya interacted with 10 IPS probationers of the 76th RR (2024 Batch) Assam-Meghalaya cadre at Raj Bhavan. He asked the probationers to become role models for others.Governor Shri Acharya asked the probationers to work responsibly, recognizing the high expectations placed on them. The Governor asked them to be committed to their work and sport polite behavior towards all individuals who interact with them. He said that it is a dream for many to be an IPS officer and when they have become one, they should carry out their responsibilities diligently.The Governor also said that since law and order of the society depends on the police officers, they should be very sensible and diligent in carrying out their duties.Governor Shri Acharya also expressed his expectations from the officers, encouraging them to work sincerely and contribute to the progress of the society.

## Assam Governor interacts with selected candidates of Assam Governor's Pratibha Protsahan Yojana



Guwahati,RB News: In a move to nurture the talents of Assam's youth through institutional mechanism, Governor Shri Lakshman Prasad Acharya today interacted with the candidates who are selected under Governor Assam's Pratibha Protsahan Yojana at a programme held at Raj Bhavan here this evening. It may be noted that under the programme initiative has been taken to provide financial assistance and top-notch coaching to deserving youth, empowering them to excel in the UPSC Civil Services Examination. Governor Shri Acharya reiterating the importance of nurturing young talents and encouraging them to work diligently towards their goals. Quoting Swami Vivekananda the Governor called upon the youth to be relentless in their pursuit of excellence and not to stop until their goals are reached. He asked them to be committed and work with perseverance and dedication and bring laurels to their and society.

## India Defeat South Africa By 135 Runs in 4th T20I



RB News: India beat South Africa by 135 runs in the fourth and final T20 International to clinch series 3-1 here on Friday. Opting to bat, India posted a massive 283 for 1, thanks to unbeaten centuries from Tilak Varma (120 not out off 47 balls) and Sanju Samson (109 not out off 56 balls), and then bowled South Africa out for 148 in 18.2 overs. Tristan Stubbs top-scored for South Africa with 46 while David Miller contributed 36. For India, pacer Arshdeep Singh was the most successful bowler with figures of 3/20 while Varun Chakravarthy (2/42) and Axar Patel (2/6) got two wickets each. Hardik Pandya, Ramandeep Singh and Ravi Bishnoi got a wicket each.

## 21-year-old Victoria Kjaer from Denmark crowned Miss Universe



RB News: Victoria Kjaer has been crowned the 73rd Miss Universe at the grand finale which was held in Mexico City. The 21-year-old was crowned by Nicaragua's Sheynnis Palacios, who is the 72nd Miss Universe. Nigeria's Chidimma Adetshina was named the first runner-up, while Mexico's María Fernanda Beltrán was the second runner-up at the pageant.

## Gill suffers thumb injury ahead of 1st Test vs Australia



RB News: According to reports, India batter Shubman Gill suffered a thumb injury while fielding in a match simulation in Perth ahead of the first Border-Gavaskar Trophy Test against Australia. He sustained the injury while taking a catch in the slips, the reports said. The first Test will begin on November 22 at the Perth Stadium.

# ৰাসক্ৰীয়া কৰিতে কৃষ্ণৰ ভৈল মন

সাম্প্ৰতিক কালতো নাচে কৃষ্ণই ৰাস মঞ্চত। বুজাব খোজে কৃষ্ণ সকলোতে বিদ্যমান। শ্ৰী কৃষ্ণৰ ৰাসৰ জৰিয়তে বীৰ ৰসৰো সমাহাৰ ঘটিছে। কৃষ্ণই বৃন্দাবনত নাচি থাকোতে কংসৰ অনুচৰ অসুৰ বোৰকো নিধন কৰিছে। ৰাসলীলাৰ পুৰুষ আৰু প্ৰকৃতিৰ আনন্দময় পৰিবেশত কৰা নৃত্যই জীৱন উদযাপনৰ দিশটো উন্মোচন কৰে। ত্ৰিজগতৰ পতি শ্ৰীকৃষ্ণক কোনো মায়াৰ বান্ধোনে বান্ধি ৰাখিব নোৱাৰি। মানৱ জীৱনৰ পৰমাৰ্থ শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ জৰিয়তে আমি অনুধাৱন কৰিব পাৰোঁ। কৃষ্ণ মানেই পৰমপুৰুষ, কৃষ্ণ মানেই সংসাৰৰ বান্ধোনৰ পৰা মুক্তি দিওঁতা। সেইবাবেই কোৱা হয় যি পৰম সত্য লাভ কৰি জীৱই পৰমানন্দ লাভ কৰে সেয়াই কৃষ্ণ। য'তে ভক্তই কৃষ্ণক আৰাধনা কৰিছে তাতে কৃষ্ণৰূপ ধৰি আৰ্বিভাৱ হৈছে। ভক্তৰ মনোবাঞ্ছা পূৰণৰ হেতু। অসুৰ দৈত্য দানবক বধ কৰি অপশক্তি নিধন কৰি সমাজখন শক্তিশালী ঐক্যৰ বান্ধোনেৰে বান্ধি, সমন্বয়ৰ সাঁকো বান্ধি, প্ৰেম ভাতৃত্বৰ নিৰ্মালি ছটিয়াই দিছে ৰাসৰ মঞ্চে মঞ্চে।

ৰাসৰ মাহাত্ম্য হ'ল- জীৱাত্মাৰ লগত পৰমাত্মাৰ ঐশ্বৰিক মহামিলন। এই মহামিলনৰ পৰাই বৈষমিক প্ৰবৃত্তিক বিলুপ্ত ঘটাই আত্মিক সত্বাৰ লগত পৰমব্ৰহ্মৰ স্বৰ্গীয় ৰসোচ্ছাদ মোক্ষপ্ৰাপ্তি লাভ কৰা। এয়ে হৈছে ৰাসলীলাৰ অৰ্থাৎ ৰাস পূৰ্ণিমাৰ তাৎপৰ্য ।

দ্বাপৰ যুগৰ পৰা সাম্প্ৰতিক সময়লৈকে শৰৎকালৰ এই ৰাসক্ৰীয়াত কৃষ্ণৰ নাচে সকলোকে মুগ্ধ কৰে। ভক্তি ৰসত সকলো ডুব যায়। শ্ৰীমন্ত শংকৰদেৱে কীৰ্তন ঘোষাৰ যোগেদি যি ৰাস ক্ৰীয়াৰ তত্ব প্ৰকাশ কৰিছে সেই ৰাসতত্বই সাম্প্ৰতিক কালত ইয়াৰ পূৰ্ণতা আৰু দুগুণ বৃদ্ধি পাবলৈহে ধৰিছে। যাৰ বাবে ৰাস বুলি আজিৰ প্ৰজন্মৰ মাজতো উল্লাস ব্যাকুলতা পৰিলক্ষিত হয়। অসমৰ বিভিন্ন প্ৰান্তত ৰাসলীলা উদযাপিত হয় যদিও মাজুলীৰ ৰাসলীলাৰ স্বক্ৰীয় বৈশিষ্ট আছে। ৰাস হ'ল সৰ্বৰসৰ সমাহাৰ। ৰাসক্ৰীয়া মূলত এক আধ্যাত্মিক তত্ব, যাৰ যোগেদি ভক্ত আৰু ভগৱান কৃষ্ণৰ মিলন হয়।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286